চান্দমামা

ডিছেম্‌বাৰ ১৯৮৫



"অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!"

–ফেভিফেইৰী



লৰা-লৰিকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকে মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহৎ
হাত বহি গৈ শেষত হবগৈ
এজন ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বহু কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰব' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

জিম্বো হাতী এটি ধাপে ধাপে কেনেকৈ তৈয়াৰ কৰিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত : ফেভি ফেইৰী পোঃ বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।
জিম্বোই সকলোবোৰ পেলনীয়া কাগজ সামৰি লৈ আপোনাৰ কোঠাটো পৰিষ্কাৰকৈ ৰাখিব।

জিম্বো হাতী এটি ধাপে ধাপে কেনেকৈ তৈয়াৰ কৰিব, পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন এই ঠিকনালৈ পঠিয়াওক : ফেভি ফেইৰী, পোষ্ট বক্স নং ১১০৮৪, বোম্বাই ৪০০ ০২০।

নাম:____________________

বয়স:____________________

ঠিকনা:____________________

____

চহৰ:____________________

ৰাজ্য:__________ পিন:__________

তোমাৰ মাহেকীয়া জাৰ্নেল ফেভিক্ৰাফট পালানে? হয়/নহয় (Ch)

ফেভিকল এম-আৰ
চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!

® হৈছে ফেভি-কল আৰু ফেভিকল ... পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।

OBM/6379 ASM

আৰু লগতে ফৰহেন্স ফ্লোৰাইদ'এ যোগায় সেই সুবিদিত ফৰহেন্স যত্ন

Forhan's FOR THE GUMS
with active FLUORIDE to check tooth decay

ফৰহেন্স ফ্লোৰোইদ। আলু সুদৃঢ় কৰে। দন্তছিদ্ৰ ৰোধ কৰে।

404 GM-183 ASM

Escape to the



Escape to the sleepy village of Modhera. To the glorious sun-temple where once a golden deity reflected the rays of the rising sun back to the heavens. To a world of splendid architecture and exquisite sculpture that defies the ravages of time ...

The lost glory of Modhera. Watch it come alive in the pages of the Heritage.

The Heritage: magazine or mini library?

The Heritage is an amazing storehouse of information: every issue is a unique compilation of facts that answer some of the most intriguing questions.

How were black ants used in ancient surgery?

Why do the Charans of Rajasthan worship rats?

What kind of spacecraft will NASA send up to visit Halley's Comet?

And more ...

Fascinating articles on every aspect of Indian culture. Stories about the land, its history, its people, their customs, their arts and crafts ...

Travelogues that capture the spirit of little-known places and exotic lands.

Updates – and flashbacks – on science and technology.

From the publishers of Chandamama

THE HERITAGE

It's worth preserving. Every issue of it.

eleventh century tonight.

Lucid articles that interpret Indian mythology and philosophy in terms the modern reader can understand.

Plus a fiction bonanza in every issue, written by some of the most well-known contemporary fiction writers. Ruskin Bond. Edith Pargeter. Manoj Das. And the best of Indian language fiction, translated to keep the flavour of the original.

All of which makes the Heritage a fascinating way to catch up with the past – and the present.

A galaxy of well-known authors

The Heritage carries articles by some of the most famous names in contemporary Indian literature and journalism. Regular contributors include M N Das, K A Abbas, M P Pandit, Prince Philip, Mulk Raj Anand.

And an expert panel of academicians who are authorities in their fields.

Start your Heritage library today

The Heritage now offers readers a unique money-back subscription scheme. Fill in the coupon below and enclose your annual subscription with it. If you are not satisfied with the first issue, please return it to us with your comments, within ten days, and we will refund your money in full.

Yes, I want to start my Heritage collection right away. I am enclosing a DD/MO for Rs 72 towards annual subscription.

Name: ....

Address: ....

....

Mail your subscription to: **Dolton Agencies, 188 N.S.K. Salai, Vadapalani, Madras 600 026.**

CMP. 1789

"থাওকতে কেচবোৰ ধৰিবলৈ সদায় সতৰ্ক থাকিব লাগিব। সেয়ে মই কেতিয়াও মলটোভা খাবলৈ নাপাহৰোঁ।"

—দক্ষ ফিল্ডাৰ কে. শ্ৰীকান্ত'এ তেওঁৰ ক্ষিপ্ৰতাৰ কথা এইদৰে কয়।



"মোৰ পুৱাটো আৰম্ভ হয়
এমগ গৰম চকোলেট ভৰা
মল্‌টোভাৰে।
মলটোভা হৈছে
একমাত্ৰ ড্ৰিংক



য'ত আছে ঘনীভূত মল্টৰ গুণ,
খাঁটি সৰযুক্ত গাখীৰ, তৃপ্তিদায়ক
কোকোৱা আৰু চেনি।
খেলতেই বোলক বা বাহিৰত,
স্বাস্থ্য, শক্তি আৰু স্ফুৰ্ত্তিৰ কাৰণে
মোক লাগে মলটোভা।
দিনে দুবাৰকৈ নিতৌ মলটোভা
খাওক, হে পৰক চেম্পিয়ন।"

নতুন
মলটোভা

স্বাস্থ্য, শক্তি আৰু স্ফুৰ্ত্তিৰ বিজয়সূচক মিলন!

FSA/JIL/1/85-ASM

চান্দমামা

সংস্থাপক: চক্ৰপাণি
সঞ্চালক: বি নাগিৰেড্ডি

'চান্দমামা'ৰ বছৰেকীয়া গ্ৰাহক হ'বলৈ হ'লে এই ঠিকনালৈ মণিঅৰ্ডাৰ যোগে টকা পঠাওক : ডল্টন এজেন্সিছ, ১৮৮ এন্. এছ. কে ৰ'ড, মাদ্ৰাজ ৬০০ ০২৬ 'চান্দমামা'ৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন। গ্ৰাহক হ'বলৈ কোনেও ফটো-নামকৰণ প্ৰতিযোগিতাৰ ঠিকনালৈ টকা নপঠায় যেন। কলিকতাস্থ ঠিকনা কেৱল ফটো-নামকৰণ প্ৰতি-যোগিতাৰ বাবেহে। এই ঠিকনাত অৰ্থাৎ কলিকতাস্থ ঠিকনাত চান্দমামা'ৰ গ্ৰাহক'ৰ বৰঙণি গ্ৰহণ কৰা নহয়।

অমৰ-বাণী

দিনাদিকেষু বিদস্তে যেত্ৰ মূৰ্খা সুখাশয়া।
তস্তা গ্ৰীষ্মেন সেৱন্তে শৈত্যাৰ্থমতে হুতাশনম্ ॥

[কেৱল ধনেৰেহে সুখী হ'ব পাৰি বুলি ভবাইত মূৰ্খ। সুখৰ কাৰণে ধনৰ কামনা—এই কথাৰ অৰ্থ হ'ল গ্ৰীষ্মকালত শীতলতা কামনা কৰি জুইৰ কাষ চপাৰ দৰে।]

বছৰ: ১০ ডিছেম্বাৰ ১৯৮৫ সংখ্যা: ৯

খনে: ২·৫০ টকা: বছৰেকীয়া বৰঙণি: ৩০·০০ টকা


ৰেনুৰ হয় দ্বন্দ্ব সখীহঁতৰ লগত
তাই সদায় হব গুৰি কিহৰনো বলত
নিজেই খেলিব এনে এক খেল
তাকে দেখি সখীহঁতে কৰিব মেল!
ৰঙীন এক' স্কেচ পেন লৈ
আঁকিলে পুতলা লৰালৰিকৈ
দ্বন্দ্ব-খৰিয়াল সাহৰি গৈ
সখীহঁতো আহিল খৰখেদাকৈ!
হালধীয়া, কমলা বেঙুনীয়া ক'লা
গুল পীয়া ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!
এক'
স্কেচ পেন ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোদ, ভিলে পার্লে (পূব) বোম্বাই-৪০০ ০৫৭ ফোন : ৬০৪০৩০৫, ৬০৪৩৫৫৬.
Trikaya-E-1-85-ASM

চান্দমামাৰ খুতুৰা-খবৰ

বাঘৰ বাবে এয়াৰকুলাৰ

এইবছৰ জহকালি দিল্লীৰ চিৰিয়খানাৰ জন্তু-জানোৱাৰ বা চৰাইইতৰ গৰমৰ কাৰণে'একো অসুবিধা হোৱা নাছিল। কিয়নো, পশু-পক্ষীক ৰ'দৰপৰা ৰক্ষা 'কৰিবলৈ চাল বা আচ্ছাদনেৰে ঢাকি দিয়া হৈছিল। বাঘৰ কাৰণে বিজুলী-পাংখাৰো বন্দৱস্ত কৰা হৈছিল। আৰু বগা বাঘৰ কাৰণে দিয়া হৈছিল এয়াৰকুলাৰ !

বধিৰসকলৰ ফোন

বৃটেইনৰ এছেক্স বিশ্ববিদ্যালয়ত বধিৰসকলৰ ব্যৱহাৰৰ বাবে 'ভিজিব্‌ল্‌' টেলিফোন আছে। বিভিন্ন আকৃতিৰ ছবি আৰু ইংগিতৰ যোগে এই ফোন ব্যৱহাৰ কৰিব পাৰি।

প্ৰাগৈতিহাসিক যুগৰ পৰিবেশ

পাৰি (পেৰিছ) নগৰৰপৰা দুশ কিলোমিটাৰ দূৰত ম'ৰবাঁ অঞ্চলত প্ৰাগৈতিহাসিক যুগৰ অ'লমত এখন উদ্যান নিৰ্মাণ কৰা হৈছে। তাত আছে পৃথিৱীৰ সুপ্ৰাচীন সৰীসৃপ ডাইন'ছৰাছৰ মডেল। কাৰ্দো লী গীতান নামৰ এগৰাকী শিল্পীয়ে এই মডেল ব অনুকৃতি নিৰ্মাণ কৰিছে। এইবোৰ ইমানেই জীৱন্ত যেন হৈছে যে, উদ্যানত থকা অন্যান্য হিংস্ৰ জন্তুবিলাকে মডেলক সঁচা বুলি ভাবি কাষকে নচপা হৈছে।

জানিবলগীয়া

১ ভীমা নদীৰ প্ৰধান উপনৈৰ নাম ?

২। কোনখন নৈৰ উপনৈৰ নাম চম্বল ?

৩। আৰব সাগৰত লগ লগা আটাইতকৈ ডাঙৰ নৈখনৰ নাম নৰ্মদা। আটাইতকৈ সৰু কোনখন নৈ ?

৪। বিহাৰৰ ৰাইজে কোনখন নৈক দুখৰ নৈ বুলি কয় ?

৫। 'গান্ধীসাগৰ মথাউৰি' কোন নৈৰ ওপৰত নিৰ্মিত ?

[উত্তৰ : ৬৫নং পৃষ্ঠাত]

অম্বৰীষ

অম্বৰীষ বিষ্ণুভক্ত ৰজা আছিল। তেওঁৰ ভক্তিৰে মুগ্ধ হৈ বিষ্ণুৱে তেওঁক বৰ দিলে— অম্বৰীষ বিপদত পৰে যদি—বিষ্ণুৱে তেওঁৰ সুদৰ্শনচক্ৰেৰে ৰজাক ৰক্ষা কৰিব।

এবাৰ ৰজা অম্বৰীষে এবৰৰকালে ধৰি ব্ৰত পালন কৰি থাকোঁতে, ব্ৰত ভংগৰ আগতেতিনি-দিনজৈ লঘোনীয়া হৈ থাকি, তৃতীয় দিনত দেৱতাসকললৈ পূজা আগ কৰাৰ অন্তত, ৰজাই উপবাস ভংগ তথা আহাৰৰ মুহূৰ্তত দুৰ্বাসা মুনিয়ে অম্বৰীষক ক'লেহি, "তুমি অলপ অপেক্ষা কৰাঁ, মই স্নান সমাপন কৰি আহোঁগৈ। মই উভতি অহাৰ পাছত তুমি আহাৰ কৰিব।"

বহু সময়ৰ অন্ততো দুৰ্বাসা উভতি নহা দেখি অন্যান্য মুনিগণ অস্থিৰ হৈ উঠিল। ইপিনে উপবাস ভংগ কৰাৰ শুভ মুহূত অতিবাহিত হোৱাৰ আশংকা দেখা দিয়াত অন্যান্য মুনিগণে ৰজা অম্বৰীষক উপবাস ভংগ কৰিবলৈ অনুমতি দিলে। অম্বৰীষে জলগ্ৰহণ কৰিলে।

ঠিক সেই মুহূতত দুৰ্বাসামুনি তাত উপস্থিত হ'লহি। তেওঁৰ অতিপাত ক্ৰুদ্ধ হৈ অম্বৰীষক ক'লে, মই উভতি অহাৰ আগতেই জলগ্ৰহণ কৰি তুমি মোক অপমানিত কৰিলা।" এই বুলি কৈ, মূৰ জোকাৰি, এডাল জটা মূৰৰপৰা ছিঙি আনি তেওঁ মাটিলৈ দলিওৱাৰ লগেলগে তাত এটা ৰাক্ষস সৃষ্টি হ'ল আৰু সেই ৰাক্ষসটোৱে অম্বৰীষক আক্ৰমণ কৰিবলৈ আগবাঢ়ি আহিল। ঠিক তেতিয়াই অম্বৰীষে বিষ্ণুক সুঁৱৰিলে। পাছ মুহূৰ্ততে বিষ্ণুৰ সুদৰ্শনচক্ৰই ৰাক্ষসটোক দুছোৱাকৈ কাটি দুৰ্বাসাকো আক্ৰমণ কৰিবলৈ আগুৱাই গ'ল।

সুদৰ্শনচক্ৰৰপৰা ৰক্ষা পৰিবলৈ দুৰ্বাসামুনি দৌৰি থাকিল। দৌৰি দৌৰি তেওঁৰ ইন্দ্ৰৰ ওচৰলৈ গৈ তেওঁক ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা জনালে। কিন্তু ইন্দ্ৰই সহায় কৰিব নোৱাৰাত তেওঁ ব্ৰহ্মাৰ কায চাপিল। ব্ৰহ্মাই দুৰ্বাসাক ক'লে, "এই বিষয়ত ময়ো সহায় কৰিব নোৱাৰিম। তুমি শিৱৰ ওচৰলৈ যোৱাঁ।" কিন্তু শিৱয়ো অক্ষমতা জ্ঞাপন কৰিলে। অৱশেষত দুৰ্বাসা বৈকুণ্ঠলৈ গ'ল। বিষ্ণুৱে ক'লে, "মই অম্বৰীষক বৰ দান কৰিলোঁ, এতিয়া মোৰ কথাতো মোৰ চক্ৰ উভ তিনাহে। তুমি অম্বৰীষৰ ওচৰলৈ যোৱা, তেওঁৰপৰা সহায় প্ৰাৰ্থনা কৰাঁগৈ।"

নিৰুপায় দুৰ্বাসাই অম্বৰীষৰ ওচৰলৈ গৈ তেওঁৰ কৃতকৰ্মৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে। তেতিয়াহে দুৰ্বাসামুনি বিষ্ণুৰ সুদৰ্শনচক্ৰৰ আক্ৰমণৰপৰা ৰক্ষা পৰিল।





১২

কাপালিনীৰ বুদ্ধিৰে যুৱৰাজ চন্দ্ৰবৰ্মাই তান্ত্ৰিক শংখক পৰ্বতৰ গভীৰ খাদত পেলাই দিলে বছীডালৰ সহায়েৰে। খাদলৈ বাগৰি পৰাৰ মুহূৰ্তত তান্ত্ৰিক শংখই হাত দাঙি 'বিশ্বাসঘাতক!' বুলি চিঞৰি উঠি তেওঁৰ হাতত থকা মন্ত্ৰদণ্ড দলিয়াই দিলে তেওঁৰ মন্ত্ৰগৃহলৈ। তাৰ পাছত……

'বিশ্বাসঘাতক! জঘন্য বিশ্বাসঘাতক!' —তান্ত্ৰিক শংখই চিঞৰি উঠিল আৰু তেওঁৰ হাতত থকা মন্ত্ৰদণ্ড আকাশলৈ দলি মাৰি দিলে। তান্ত্ৰিক শংখই মন্ত্ৰদণ্ড আকাশলৈ দলি মাৰি দিয়া দেখি কাপালিনী ভয়তে কোঁচমোচ খাই গ'ল। কাপালিনীৰ মুখ শেঁতা পৰিল, দৃষ্টি আচ্ছন্ন হ'ল, মাতিব নোৱৰা হ'ল।

তান্ত্ৰিক শংখই মন্ত্ৰদণ্ড দলিউৱাৰ লগে লগেই তেওঁৰ মন্ত্ৰগৃহটো সোঁৱে-বাঁৱে অলপ লৰি-চৰি হঠাৎ পোনে পোনেই আকাশলৈ গতি কৰিলে। এই অদ্ভুত আচৰিত দৃশ্য দেখা পাই চন্দ্ৰবৰ্মা যেনিবা নিথৰ-নিস্পন্দ হৈ পৰিল। তেওঁৰ এই

মই আৰু তুমিও নিকৰুণ-নিষ্ঠুৰ অসহায় অৱস্থাৰ চিকাৰ। বহু কষ্ট, অসংখ্য বিপদ-বিঘিনি পাৰ হৈ, তুমি ইয়ালৈ আহি পাইছিলাহি। ময়ো সহজতে ইয়ালৈ আহি পোৱা নাছিলোঁ. মোৰো কষ্ট হৈছিল যথেষ্ট। কিন্তু এতিয়া আমাৰ দুয়োৰো আগত কেৱল হতাশাৰ নিৰন্ধ্ৰ অন্ধকাৰ!"

কাপালিনীৰ কথা শুনি চন্দ্ৰবৰ্মাই পৰিষ্কাৰভাৱে অনুধাৱন কৰিলে যে তেওঁৰ সকলো প্ৰয়াস ব্যৰ্থ হৈছে। চন্দ্ৰবৰ্মাই হুমুনিয়াহ কাঢ়ি কাপালিনীক ক'লে, "কাপালিনী, শংখতান্ত্ৰিকৰ মন্ত্ৰগৃহ হ্ৰদৰ পানীত ডুবি যোৱাৰ লগে লগে সেই অসাধাৰণ শক্তিসম্পন্ন শংখটোও হ্ৰদৰ পানীত তল গ'ল বুলি তুমি ভাবানে? সেই শংখটোও এই মন্ত্ৰগৃহৰ ভিতৰত আছিল বুলি ভাবানে কি?"

বিস্ময়ৰ আচ্ছন্নতাৰ মাজতে তেওঁ দেখা পালে যে তান্ত্ৰিক শংখৰ সেই মন্ত্ৰগৃহটো আকাশৰপৰা তীব্ৰ গতিৰে নামি আহি সেই হ্ৰদৰ পানীত সশব্দে ডুবি গ'ল। এইবোৰ অভাৱিত দৃশ্য দেখাৰ লগে লগে চন্দ্ৰবৰ্মাৰ গাৰ নোম ডাল ডাল হৈ উঠিল।

"চন্দ্ৰবৰ্মা!" ক্ষীণকণ্ঠেৰে কাপালিনীয়ে মাতিলে। চন্দ্ৰবৰ্মাই যেনিবা হেৰোৱা চেতনা ঘূৰাই পাই কাপালিনীলৈ চালে। কাপালিনীয়ে ক্ষীণ কণ্ঠেৰে ক'লে, "চন্দ্ৰবৰ্মা, মোৰ, আৰু লগতে তোমাৰো দুৰ্ঘোৰ দুৰ্ভাগ্য। সাফল্যৰ আগমুহূৰ্ততে শংখই সকলো তচোনচো কৰিলে। এতিয়া,

"ভাবিম কিয়, নাভাবোঁ, ভবাৰ থল নাই। শংখটো নিশ্চয়েই এই মন্ত্ৰগৃহতে আছিল। কেৱল শংখটোৱেই নহয়, তেনেহেলেন শক্তিসম্পন্ন বহুতো কিবাকিবি আছিল তাত। সেইবিলাকৰ ক্ষমতাও প্ৰচুৰ। মোক কেৱল শংখটোহে লাগিছিল। কিন্তু—তোমাৰ হেৰোৱা ৰাজ্য, সিংহাসন আদি অতি সহজ উপায়েৰে ঘূৰাই পোৱাৰ বহুতো কিবাকিবি আছিল এই

মন্ত্রগৃহত। কিন্তু এতিয়া—তোমাৰ আৰু মোৰো অৱস্থা—যেনিবা পুনর্মু ষিকোভবঃ। যেনিবা—ওৰে ৰাতি ব'ঠা মাৰি মাৰি ৰাতিপুৱা চালোঁ—লংগৰটোৱেই তোলা নাছিলোঁ। এতিয়া যে কি কৰোঁ, কেনি যাওঁ—ভাবি পোৱা নাই, চন্দ্ৰবৰ্মা!"

চন্দ্ৰবৰ্মাৰ মানসিক অৱস্থাও বৰ বেয়া হৈ পৰিছিল। সফলতা যেতিয়া তেওঁৰ কৰায়ত্ত, ঠিক তেতিয়াই এনেহেন কাণ্ডখন ঘটিব বুলি তেওঁ ভাবিবই পৰা নাছিল। চন্দ্ৰবৰ্মাই হঠাৎ কঠিন কণ্ঠেৰে কৈ উঠিল, "কাপালিনী, গ'ল কথা লৈ গলাগোপা কৰি লাভ নাই। বদমাছ শংখতান্ত্ৰিকক যে আমি যমৰ আলহী কৰিব পাৰিলোঁ, সি-ও কম কথা নহয়। আৰু—" হঠাৎ ৰৈ, চন্দ্ৰবৰ্মাই পুনৰ কৈ উঠিল, "বাৰু কাপালিনী, সেই শংখটো পোৱাহেঁতেন তোমাৰ আয়ুস হাজাৰ বছৰলৈ বাঢ়িলহেঁতেন। মই আৰু কাল-নাগে হ্ৰদৰপৰা শংখতান্ত্ৰিকৰ মন্ত্ৰগৃহটো উঠাই আনিবলৈ চেষ্টা কৰি চাওঁনে?"

এখন্তেক ভাবি লৈ, কাপালিনীয়ে চন্দ্ৰবৰ্মাৰ প্ৰস্তাৱত সম্মতি দিলে।

তাৰ পাছত, চন্দ্ৰবৰ্মাই পাহাৰ বগাই উঠিবলৈ ধৰিলে, আৰু কাপালিনীও চন্দ্ৰবৰ্মাৰ পিছে পিছে গৈ থাকিল। আৰু কাপালিনীৰ পিছে পিছে গৈ থাকিল অদ্ভুতসুন্দৰ ফেঁট মেলি—কালনাগ!

পাহাৰৰ চূড়া গৈ পোৱাৰ পাছত যুৱৰাজ চন্দ্ৰবৰ্মাই শংখতান্ত্ৰিক বাগৰি পৰা খাদলৈ চাই পঠালে। তাত চন্দ্ৰবৰ্মাই শংখতান্ত্ৰিকক দেখা পালে। শংখতান্ত্ৰিকে তেওঁৰ এখন হাত তেতিয়ালৈকো বাৰে বাৰে ওপৰলৈ দাঙি আছিল। এই দৃশ্য দেখি চন্দ্ৰবৰ্মাই শংখতান্ত্ৰিকলৈ টাঁৱাই এচটা শিল দলিয়ালে।

আৰু পাছ মুহূৰ্ততে কাপালিনী চন্দ্ৰবৰ্মাৰ কাযত থিয় হ'লহি। চন্দ্ৰবৰ্মাই কাপালিনীক ক'লে, "কাপালিনী, সৌ পাপিষ্ঠ শংখ-

তান্ত্ৰিক এতিয়ালৈকে জীয়াই থকা বুলি বোধ হ'ল, আৰু সেয়েহে মই তালৈ লক্ষ্য কৰি শিল এচটা দলিয়ালোঁ।"

কাপালিনীয়ে মূৰ তুপিয়ালে মাথোন, একো নক'লে। তাৰ পাছত দুয়ো আগবাঢ়ি গৈ, এসময়ত মন্ত্ৰগৃহ থকা ঠাইডোখৰ চাবলৈ ধৰিলে।

মন্ত্ৰগৃহ থকা ঠাইডোখৰলৈ চাই চন্দ্ৰবৰ্মাই ক'লে, "কাপালিনী, য'ত মন্ত্ৰ গৃহ আছিল ঠিক তাত, সেই ভেটিৰ ওপৰতে তোমাৰ বাবে বড়িয়াকৈ ঘৰ এটা সজা হ'ব। হ'বনে?"

চন্দ্ৰবৰ্মাৰ এই প্ৰস্তাবতো কাপালিনী সন্মত হ'ল। তিমানতে ৰাতি পুৱাল, বেলি ওলাল। পূবলৈ চাই চন্দ্ৰবৰ্মাই হুমুনিয়াহ কাঢ়ি ক'লে, "বৰ ভোক লাগিছে, কাপালিনী। কিবা অলপ খাই কাম কৰিব পৰাহেঁতেন ভাল হ'লহেঁতেন। কিন্তু ফল-মূল আনিবলৈ এতিয়া আকৌ নামনিলৈ নমাৰ মন নোযোৱা হৈছে মোৰ।"

চন্দ্ৰবৰ্মা যে অতিপাত ভাগৰি পৰিছে, সেই কথাটো উপলব্ধি কৰি কাপালিনীয়ে কালনাগলৈ চাই ক'লে, "চন্দ্ৰবৰ্মা, মইনো আৰু ঘৰেৰে কী কৰিম? মোৰ আয়ুস—শেষেই হৈ আহিছে। মোৰ যি বয়স হ'ল, এই বয়সলৈকে কোনো মানুহ জীয়াই নাথাকে। ভাবিছিলোঁ, আৰু হাজাৰ বছৰলৈ জী থাকিম। কিন্তু সেই জাদু-শংখৰ অবিহনে মোৰ এই দুৰূহ আশা ফলৱতী হোৱাৰ উপায় নাই। আৰু—জীয়াই থকাত এতিয়ানো আৰু কী সুখ? কিন্তু—সচহতে মই মোৰ কথা ভবা নাই, ভাবিছোঁ তোমাৰ কথা। তোমাক তোমাৰ ৰাজ্য, সিংহাসন ঘূৰাই দিম বুলি মই দৃঢ় আশা পোষণ কৰিছিলোঁ। মোৰ কাৰণে তুমি যে কিমান কষ্ট কৰিছা, কত যে আহুকাল ভুঞ্জিছা! ভয়-ডৰ নেওচি মোৰ কাৰণে অসম্ভৱকো সম্ভৱ

কৰি তুলিছা। মোৰ দুৰ্ভাগ্য, তাৰ প্ৰতিদানত, মই তোমাৰ কাৰণে একো কৰিব নোৱাৰিলোঁ!”

কাপালিনীৰ এই আন্তৰিক কথাবোৰে চন্দ্ৰবৰ্মাৰ মনত আবেগৰ সৃষ্টি কৰিলে। তেওঁ ভাবিলেঃ ইমানদিন ধৰি শংখ-তান্ত্ৰিকৰ শংটো পাবলৈ কাপালিনীয়ে বাট চাই ৰৈ আছিল। এতিয়া—সেই আশা আৰু নাই দেখিহে কাপালিনীয়ে মোৰ কথাটো ইমানকৈ ভাবিব পাৰিছে। চন্দ্ৰবৰ্মাই ক'লে, “কাপালিনী, ইতিমধ্যেই তুমি মোক যিমান সহায় কৰিছা—সিও বৰ কম নহয়। মই যেতিয়া ৰাজ্যপাট হেৰুৱাই তোমাৰ কায় পাইছিলোঁগৈ, তেতিয়া, মোৰ সেই চৰম দুঃসময়ত আশ্ৰয় নিদিয়াহেঁতেন মোৰ বাৰু কী অৱস্থা হ'লহেঁতেন? তোমাৰ সহায়ৰ কথা মই মোৰ জীৱনকালতো পাহৰিব নোৱাৰিম। যি কি নহওক—এতিয়া আটাইতকৈ ডাঙৰ কথা হ'ল—আমি এতিয়া কি কৰিম? কি কৰা উচিত?”

কাপালিনীয়ে গোটেই পৰ্বতশ্ৰেণীটোৰ ওপৰত এবাৰ চকু ফুৰাই লৈ অতি শান্ত ধীৰ কণ্ঠেৰে ক'লে, “মোৰ ধাৰণা, এতিয়া, তোমাৰ আৰু মোৰ বাট বেলেগ বেলেগ। মই মোৰ জীয়াই থকা দিনবোৰ ইয়াতে পাৰ কৰিম, আন ক'লৈকো নাযাওঁ।”

“তেনেহ'লে—তোমাৰ কাৰণে ঘৰ এটা সাজি দিওঁ, ৰ'বা। পিছে—অলপ ফল খাওঁ কেনেকৈ? বৰ ভোক লাগিছে।” চন্দ্ৰবৰ্মাই ক'লে।

কাপালিনীয়ে কালনাগলৈ চাই ক'লে, “কালনাগ, মই তোমাক তোমাৰ আগৰ ৰূপ ঘূৰাই দিম। আজিৰেপৰাই তুমি মুক্ত হ'বা, স্বাধীনতা লাভ কৰিবা, য'লৈকে মন যায় যাব পাৰিবা।” এই বুলি কৈ, কাপালিনীয়ে মন্ত্ৰ মাতি, তাইৰ হাতত থকা হাড় এডাল কালনাগৰ মূৰত ছোৱালে। আৰু লগে লগে কালনাগ গুচি



তাৰ ঠাইত এক বলিষ্ঠদেহী যুৱক মানুহৰ ৰূপত আবিৰ্ভূত হ'ল।

মানুহৰ ৰূপ ঘূৰাই পাই কালনাগে কাপালিনীক প্ৰণাম কৰি ক'লে, "কাপালিনী, তোমাৰ অনুগ্ৰহৰ কথা মই কেতিয়াও পাহৰি নাযাওঁ।" তাৰ পাছত সি চন্দ্ৰবৰ্মাকো ক'লে, "চন্দ্ৰবৰ্মা, তোমাৰ মোৰ প্ৰতি থকা মৰমৰ কথাও আজীৱন মই সুঁৱৰি থাকিম।" এই বুলি কৈ, কালনাগে চন্দ্ৰবৰ্মাকো প্ৰণাম কৰিলে।

চন্দ্ৰবৰ্মাই কালনাগক ক'লে, "কালনাগ, মানুহৰপৰা কালনাগৰ ৰূপ পোৱাৰ আগতে তোমাৰ নাম কি আছিল, 'মই তো ক'ব নোৱাৰোঁ। মোৰ এটা দুৰ্ঘোৰ শত্ৰু আছে, তাৰ নাম সৰ্পকেতু। তোমাক যিহেতুকে মই মোৰ বন্ধু বুলি ভাবোঁ, তোমাক কালকেতু বুলি মাতিম। তোমাৰ কিবা আপত্তি আছেনে?"

"একো আপত্তি নাই। এদিন নহয় এদিন মই তোমাৰ শত্ৰু সৰ্পকেতুক হত্যা কৰি তোমাৰ প্ৰদত্ত কালকেতু নামটো সাৰ্থক কৰি তুলিম।" যুৱকে ক'লে।

তাৰ পাছত কালকেতুৱে পাহাৰৰপৰা নামি হ্ৰদৰ কাষত থকা গছৰপৰা কিছুমান ফল বুটলি লৈ, পুনৰ পাহাৰলৈ ঘূৰি আহিল। তিনিও মিলি সোৱাদ ফলবোৰ খালে। তাৰ পাছত নিজৰাৰ পানী পি খাই, অলপ জিৰণি লৈ, চন্দ্ৰবৰ্মা আৰু কালকেতুৱে হ্ৰদৰ পানীৰপৰা শংখতান্ত্ৰিকৰ মন্ত্ৰগৃহটো উঠাই অনাৰ কামত দেহেকেহে লাগিল। চটাচটে শিল পানীত পেলাই, পানী নোহোৱা কৰি, বেলিয়ে লাহ দিয়াৰ আগে আগে, মন্ত্ৰগৃহটো পানীৰপৰা উঠাব পৰা হ'ল তেওঁলোকে। আৰু ৰাতিছোৱা সেইটো ঘৰতে তিনিও কটালে।

মাজনিশালৈকে চন্দ্ৰবৰ্মাৰ চকুত টোপনি নাহিল। চন্দ্ৰবৰ্মাই ভাবি আছিল যে এতিয়া তেওঁৰ কৰ্তব্য কি। সৰ্পকেতুৱে তেওঁৰ দেউতাকক হত্যা কৰি মাহিষ্মতী



ৰাজ্য অধিকাৰ কৰিলে। সৰ্পকেতুক তাৰপৰা বিতাড়িত কৰি পুনৰ সিংহাসন অধিকাৰ কৰিবলৈ হ'লে অনেক সৈন্য আৰু অস্ত্ৰৰো আৱশ্যক। আৰু, তাৰ বাবে লাগিব অজস্ৰ ধন। ইমান ধন তেওঁ গোটাব কেনেকৈ? মন্ত্ৰগৃহ এৰি, বাহিবলৈ ওলাই আহি, জোনৰ স্নিগ্ধ পোহৰত বহি, চন্দ্ৰবৰ্মাই এইবোৰ আকাশ-পাতাল ভাবি থাকিল। তেওঁ বহাৰপৰা উঠি পাইচাৰি কৰিবলৈ ধৰিলে। কিছু সময়ৰ অন্তত কালকেতুও ওলাই আহিল আৰু চন্দ্ৰবৰ্মাক সুধিলে, "চন্দ্ৰবৰ্মা, কথানো কি? ইমান চিন্তা কিহৰ বাবে?"

চন্দ্ৰবৰ্মাই ক'লে, "কালকেতু, সমস্যাৰ অন্তত সমস্যা। বিভিন্ন সমস্যাই মোক খুলি খুলি খাবলৈ ধৰিছে। কাপালিনীৰ সহায়ত মই মোৰ হেৰোৱা ৰাজ্য-সিংহাসন ঘূৰাই পাম বুলি ভাবিছিলোঁ। সদ্যহতে সেই আশা এৰিলোঁ। কিন্তু এতিয়া যে মই ক'লৈ যাম, কিমান দূৰত যে জনপদ আছে, আনকি তাকো ক'ব নোৱাৰোঁ। ইও এক ডাঙৰ সমস্যা।"

"শুনা চন্দ্ৰবৰ্মা, ইয়াৰপৰা পাহাৰ-পৰ্বত, অৰণ্য পাৰ হৈ এশ যোজন বাটৰ অন্তত জনপদ আছে। তোমাৰ লগত ময়ো যাম বুলি ভাবিছেলোঁ! কিন্তু—ইয়াত কাপালিনীক এৰি থৈ গুচি যাবলৈ মোৰ মন নোযোৱা হৈছে। কাপালিনী আৰু বৰ বেছিদিনলৈ জীয়াই নাথাকে। তেওঁৰ মৃত্যুৰ পাছত, মই সেই কাঁচৰ গোলকটোৰ যোগেদি তোমাৰ সা-সন্ধান লৈ, তোমাৰ ওচৰলৈ গুচি যাম। এই গোলকটো মই তোমাৰ কাৰণে লগত লৈ যাম।" কালকেতুৱে ক'লে।

কিন্তু কালকেতুৰ কথাই চন্দ্ৰবৰ্মাক উৎসাহিত কৰি তুলিব নোৱাৰিলে।

ৰাতি পুৱাল। চন্দ্ৰবৰ্মাই হ্ৰদৰ পানীত স্নান সমাপন কৰিলেগৈ। আৰু তাৰ পাছত কাপালিনী আৰু কালকেতুৰপৰা

ৱেদনাৰে বিদায় লৈ, পোনে পোনেই উত্তৰ দিশলৈ বুলি খোজ ল'লে।

একেৰাহে দুপৰীয়ালৈকে অৰণ্যৰ মাজেদি খোজ কাঢ়ি কাঢ়ি ভাগৰি পৰি, অলপ জিৰণি ল'বৰ মনেৰে এজোপা বিৰাট গছৰ তলত থিয় হ'ল। তেওঁ তাত অলপ পৰলৈ বহি জিৰণি লোৱাৰ বাবে এটুকুৰা পৰিষ্কাৰ ঠাই বিচাৰি থাকোঁতে হঠাৎ তেওঁ চাৰিহাতমান দীঘল এডাল লোৰ শিকলি দেখা পালে তাত। শিকলিডাল হাতত লৈ তেওঁ ভাবিথাকিল : এনেহেন গভীৰ অৰণ্যত এই লোৰ শিকলিডাল আহিল ক'ৰপৰা? এনেতে এটা বিকট গৰ্জন তেওঁৰ কাণত পৰিল। চন্দ্ৰবৰ্মাই তৎক্ষণাৎ তেওঁৰ তৰোৱালখন খাপৰপৰা উলিয়াই লৈ ভাবিলে : এই গৰ্জন বাঘৰনে বনৰীয়া কুকুৰৰ ভুকনি? কী? তেওঁ জন্তুটোক বিচাৰি ইফালে সিফালে চাবলৈ ধৰিলে। হঠাৎ তেওঁ দেখা পালে—এটা কুকুৰ তীব্ৰ গতিৰে তেওঁক খেদি আহিব ধৰিছে। কিন্তু দেখাত কুকুৰৰ দৰে হ'লেও এই জন্তুটো কুকুৰ নহয় বুলি চন্দ্ৰবৰ্মাৰ মনত দৃঢ় ধাৰণা হ'ল। অন্ততঃপক্ষে সাধাৰণ বনৰীয়া কুকুৰ তো ই নিশ্চয়েই নহয়—ভাবিলে চন্দ্ৰবৰ্মাই। তেওঁ তেওঁৰ সোঁহাতেৰে তৰোৱাল দাঙি, বাঁও হাতত লোৰ শিকলিডাল লৈ কুকুৰৰূপী ভয়াল জন্তুটোৰ পিনে এখোজ-দুখোজকৈ দৃঢ় খোজেৰে আগুৱাই গৈ থাকিল। সেই মুহূৰ্তত চন্দ্ৰবৰ্মাৰ ধাৰণা হ'ল—এই লোৰ শিকলিডালো এপাট অস্ত্ৰ!

চন্দ্ৰবৰ্মাই দ্ৰুতগতিৰে কুকুৰটোৰ পিনে গৈ আছিল অপলক দৃষ্টি মেলি, আৰু তাতোকৈ দ্ৰুত গতিৰে কুকুৰটো চন্দ্ৰবৰ্মাৰ পিনে আহি আছিল তাৰ বিৰাট মুখখন মেলি, বিৰাট লকলকীয়া তেজৰঙা জিভাখন উলিয়াই……। [অহা সংখ্যাত

যমৰ বাহন

প্রতিজ্ঞাবদ্ধ বিক্রমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গৈ গছৰপৰা শ'টো নমাই আনি কান্ধৰ ওপৰত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি খোজ কাঢ়ি গৈ থাকিল। তেতিয়া শ'টোৰ মাজত থকা বেতালে ক'লে, "হে ৰজা, তুমি তোমাৰ প্রতিজ্ঞাপূৰণ কৰিহে এৰিবা, সেই কথা স্পষ্ট। কিন্তু কেতিয়াবা প্রতিজ্ঞা পূৰণৰ দুৱাৰত আহিও বহুতে ব্যৰ্থ হয়, বা শিশু-সুলভ মনেৰে পৰিত্যাগ কৰে। এই বিষয়ে মই তোমাক ৰাজ-কুমাৰৰ কাহিনী কওঁ, শুনা। এই কাহিনী শুনি আন একো উপকাৰ নহ'লেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে ঃ

বিন্ধ্যপৰ্বতৰ নামনিত এখন গাঁৱত ভৈৰৱাচাৰ্য্য নামৰ খ্যাতিমান এগৰাকী

'বেতাল-কথা'

বৈদ্য আছিল। তেওঁৰ এটি ল'ৰা আছিল, ল'ৰাটিৰ নাম ৰাজকুমাৰ। বৈদ্য হিচাপে ভৈৰৱাচাৰ্য্যৰ নাম-যহ যথেষ্ট; কিন্তু সেই তুলনাত আয়-উপাৰ্জন আছিল নিচেই কম। কিয়নো, গাঁৱৰ ৰাইজ আছিল দুখীয়াশ্ৰেণীৰ। কেতিয়াবা ভৈৰৱাচাৰ্য্যই ৰাজবৈদ্য হোৱাৰ বাবে ৰাজধানীলৈ গৈ চেষ্টা দিয়াৰ কথা ভাবিছিল; কিন্তু পাছমুহূৰ্ত্ততে ভাবিছিল তেওঁ: মইনো বৈদ্যবিদ্যা কিমানকণ জানো? এইকণ বিদ্যাৰ সমল লৈ ৰজাৰ কাষ চপাটো অৰ্থহীন। —এইবোৰ কথা ভাবি ভাবি তেওঁৰ মনৰ ইচ্ছা মনতেই মাৰ গ'ল, আৰু গাঁৱতে জীৱন পাৰ হ'ল।

আৰু এদিন বৈদ্য ভৈৰৱাচাৰ্য্য টান বেমাৰত পৰিল। বহুদিন ধৰি শয্যাশায়ী থকাৰ অন্তত তেওঁৰ ধাৰণা হ'ল, তেওঁৰ মৃত্যু চমু চাপি আহিছে। তেওঁ তেওঁৰ পুত্ৰ ৰাজকুমাৰক ক'লে, "বোপা, মই আৰু বেছিদিনলৈ নাবাচোঁ বুলি মোৰ ধাৰণা হৈছে। মই সমগ্ৰ জীৱনকাল চিকিৎসা কৰিলোঁ; কিন্তু তোমাক মই চিকিৎসা-শাস্ত্ৰৰ একোৱেই শিকাব নোৱাৰিলোঁ। এতেকে, তোমাক মই—খেতি-বাতি কৰি জীৱন কটাবলৈ পৰামৰ্শ দিছোঁ।"

ৰাজকুমাৰ আছিল অতি বুদ্ধিমান, কৰ্মতৎপৰ যুৱক। ৰাজকুমাৰ দেউতাকৰ কথা মানি নল'লে। ৰাজকুমাৰে ক'লে, "দেউতা, মোৰ দৃঢ় বিশ্বাস—আপুনি কিছুদিনৰ ভিতৰতে ভাল হৈ উঠিব। পিছে মোৰ মনৰ কথাটো এতিয়াই কৈ থওঁ, মই খেতি-কাম কৰি জীৱিকানিৰ্বাহ নকৰোঁ।"

পুতেকৰ কথা শুনি আচৰিত হৈ ভৈৰৱাচাৰ্য্যই ক'লে, "বোপা, মোৰ কথা মানি চলিলে তোমাৰ মংগল হ'ব। মানুহৰ জীৱন লৈ ধেমালি নকৰিবা। তুমি চিকিৎসাবিদ্যাৰ যিমানকণ জানিছা, তাৰে চিকিৎসা কৰাটো ধৃষ্টতা মাথোন।"

"দেউতা, চিকিৎসাবিদ্যাত মোক যিমান

জ্ঞানহীন বুলি ভাবিছে, মই সিমান জ্ঞানহীন নহওঁ। তদুপৰি, এই বিদ্যা ভালকৈ আয়ত্ত কৰিবলৈ মই বিখ্যাত বৈদ্য মহেন্দ্ৰযোগীৰপৰাও পাঠ ল'ম। মই এই বিদ্যাৰেই আমাৰ দাৰিদ্ৰ্য দূৰ কৰিম বুলি প্ৰতিজ্ঞা কৰিছোঁ।"

মহেন্দ্ৰযোগীৰ আশ্ৰম আছিল এই গাঁৱৰপৰা ছয় ক্ৰোশ দূৰত। ৰাজকুমাৰ তালৈ গ'ল, আৰু তাক শিষ্য হিচাপে গ্ৰহণ কৰিবলৈ মহেন্দ্ৰযোগীৰ ওচৰত কাতৰভাৱে আবেদন জনালে।

ইতিমধ্যে—ৰাজকুমাৰৰ দেউতাক ঢুকাল। শ্ৰাদ্ধাদি ক্ৰিয়াকৰ্ম সমাপন কৰাৰ অন্তত ৰাজকুমাৰ পুনৰ মহেন্দ্ৰযোগীৰ ওচৰলৈ গ'ল। মহেন্দ্ৰযোগীয়ে বিভিন্ন ধৰণে প্ৰশ্ন কৰি, নানান পৰীক্ষা লৈ ৰাজকুমাৰক শিষ্য হিচাপে গ্ৰহণ কৰিলে।

মহেন্দ্ৰযোগীও বৃদ্ধ হৈ পৰিছিল: তেওঁৰ ওচৰত চাৰিবছৰকাল চিকিৎসাবিদ্যা শিকি, তেওঁৰ অন্যান্য ছাত্ৰসকলতকৈ অধিক দক্ষতাৰ পৰিচয় দি, ৰাজকুমাৰে তেওঁৰ যোগ্যতাৰ প্ৰমাণ দাঙি ধৰিলে।

পৰীক্ষাত উত্তীৰ্ণ তথা সফল হোৱা ছাত্ৰশিষ্যসকলক একে একে মাতি আনি গুৰু মহেন্দ্ৰযোগিয়ে প্ৰশ্ন কৰিলে, "বিদায় লোৱাৰ আগতে মোৰপৰা কিবা পোৱাৰ আশা কৰিছানে? কিবা প্ৰশ্ন কৰিব খুজিছানে? তোমাৰ যিকোনো এটা ইচ্ছা মই পূৰণ কৰিম, নিৰ্ভয়ে কোৱা।"

এইদৰে প্ৰতিজন শিষ্যক গুৰুৱে সুধিলে। যেতিয়া ৰাজকুমাৰৰ পাল আহিল, তেতিয়া তাকো গুৰুৱে একেই প্ৰশ্ন কৰিলে। গুৰুৰ প্ৰশ্নৰ উত্তৰ শিষ্য ৰাজকুমাৰে ক'লে, "গুৰুদেৱ, আমি বহু পুৰুষ ধৰি চিকিৎসকবৃত্তি পালন কৰি আহিছোঁ। আমাক দাৰিদ্ৰ্যই সদায় আহুকালত পেলাইছে, যদিও, আমাৰ পূৰ্বপুৰুষসকলে কেতিয়াও দাৰিদ্ৰ্য গুচাবলৈ আনকি কোনো চেষ্টাও কৰা নাছিল।"



"তেনেহ'লে—তোমাক কি লাগে কোৱাঁ।" গুৰুৱে সুধিলে।

"গুৰুদেৱ, জন্মও যেনেকৈ সত্য, মৃত্যুও সমভাৱেই সত্য। প্ৰতিজন মানুহে মৃত্যুৰ আগতে কিবা নহয় কিবা ব্যাধিৰে আক্ৰান্ত হয়, অপৰিসীম কষ্ট ভুঞ্জিবলগীয়া হয়। মানুহৰ এই কষ্ট লাঘৱ কৰিবপৰা—মৃত্যুৰ পূৰ্বমুহূৰ্তৰ অপৰিসীম কষ্ট লাঘৱ কৰিবপৰা তথা নিবাৰণ কৰিবপৰা কিবা এটা উপায় মোক শিকাই দিয়ক।" ৰাজকুমাৰে ক'লে।

ৰাজকুমাৰৰ কথা শুনি মহেন্দ্ৰযোগীয়ে অবাক হৈ ক'লে, "বোপা, মানুহৰ আয়ুস শেষ হ'লে তেওঁক আৰু জীয়াই তুলিব নোৱাৰি। আমি শেষ মুহূৰ্ততো যিবোৰ দৰবপাতি দিওঁ—সি সান্ত্বনাৰ বাহিৰে আন একো নহয়। তথাপি, তোমাক মই বিশেষ ক্ষমতা এটা দিম। তুমি যিসকল বেমাৰীক চিকিৎসা কৰিবা, তেওঁলোকৰ গাঁৰুৰ কাষত যদি যমৰাজৰ বাহনৰূপী ম'হ এটা দেখা পোৱা, তেনেহ'লে সেই বেমাৰীৰ মৃত্যু অৱধাৰিত বুলি জানিবা। পিছে—মনত ৰাখিবা, এই ম'হটোক এক মাত্ৰ তুমিহে দেখা পাবা।"

ৰাজকুমাৰে গুৰুক সাষ্টাংগে প্ৰণাম কৰি ক'লে, "গুৰুদেৱ, অন্ততঃপক্ষে এবাৰলৈ সেই ম'হটোক খেদিবপৰা ক্ষমতা মোক দিয়ক দয়া কৰি।"

মহেন্দ্ৰযোগীয়ে খন্তেকমানলৈ ভাবি লৈ ক'লে, "তুমি যিদিনা যমৰাজৰ ম'হটোক খেদিবা তাৰ পাছদিনাৰেপৰাই কিন্তু চিকিৎসা কৰাৰ ক্ষমতা নোহোৱা হ'ব তোমাৰ। এইষাৰ কথা মনত ৰাখি যি কৰা কৰিবা। ম'হটোক খেদোৱাৰ পদ্ধতি হ'ল তুমি তোমাৰ মনত আই দুৰ্গাৰ বাহন সিংহটোক সুঁৱৰিবা, আৰু ক'বা, 'এই ম'হ--চা, আই দুৰ্গাৰ বাহন সিংহ আহিল। তই ইয়াত থাকিবিনে?' কোৱাৰ লগে লগেই যমৰজাৰ ম'হটো আঁতৰ হ'ব।"

ৰাজকুমাৰ গাঁৱলৈ উভতি গ'ল। কিছুদিনৰ অন্তত চিকিৎসক হিচাপে ৰাজকুমাৰৰ নাম ঘৰে ঘৰে বিয়পি পৰিল।

ৰাজকুমাৰে যিসকল বেমাৰীক চিকিৎসা কৰিছিল, তেওঁলোক ভাল হৈ উঠিছিল। পিছে—কেতিয়াবা ৰাজকুমাৰে কৈছিল, "আপোনাৰ এই অসুখ লাখত এজনৰো নহয়। এই অসুখৰ দৰব নাই।"

ৰাজকুমাৰে বেমাৰীৰ গাঁৰুৰ কাষত যমৰজাৰ বাহন ম'হটোক দেখা পায়েই এই কথা কৈছিল। ম'হটোক দেখাৰ লগে লগে ৰাজকুমাৰে বেমাৰীক আৰু দৰবপাতি নিদিয়া হৈছিল। তাৰ মানে—যিজন বেমাৰীক ৰাজকুমাৰে দৰবপাতি দিছিল, তেওঁ ভাল হৈ উঠিছিল, আৰু যিজন বেমাৰীক দৰবপাতি দিয়া বন্ধ কৰিছিল তেওঁ মৃত্যুৰ কবলত পৰিছিল। এইবোৰ কাৰণত চিকিৎসক হিচাপে ৰাজকুমাৰৰ খ্যাতি অতি দ্ৰুত বিয়পি পৰিছিল, আৰু যশস্যাৰ লগে লগে ধনো আৰ্জিছিল প্ৰচুৰ পৰিমাণে।

এইদৰে, বহু দিন পাৰ হোৱাৰ অন্তত এদিন ৰাজকুমাৰৰ ওচৰলৈ আহিল ৰজাৰ মানুহ। ৰাজকুঁৱৰীৰ টান বেমাৰ। ৰাজ-বৈদ্যসকলে বহু চেষ্টা কৰিও ৰাজকুঁৱৰীক ভাল কৰি তুলিব পৰা নাই। অতঃপৰ ৰজাই ঘোষণা কৰিলে যে—যিজন চিকিৎসকে ৰাজকুঁৱৰীক ভাল কৰি তুলিব,



তেওঁক এলাখ সোণৰ মুদ্ৰাৰে পুৰস্কৃত কৰা হ'ব। এই ঘোষণা শুনি ৰাজকুঁৱৰীক সুস্থ কৰি তুলিবলৈ বহুতো চিকিৎসক ৰাজধানীলৈ গ'ল; কিন্তু ব্যৰ্থ হ'ল। তাৰ পাছত এদিন ৰাজকুমাৰৰ কথা শুনি ৰজাই ৰাজকুমাৰক মতাই পঠিয়ালে।

ৰাজকুমাৰ তৎক্ষণাৎ ৰাজধানীলৈ গ'ল। স্বয়ং ৰজাই ৰাজকুমাৰক ৰাজকুঁৱৰীৰ কক্ষলৈ লৈ গ'ল। কক্ষত সোমোৱাৰ লগে লগেই ৰাজকুমাৰে ৰাজকুঁৱৰীৰ শয্যাৰ কাষত যমৰজাৰ বাহন ম'হটোক থিয় হৈ থকা দেখা পালে।

ৰাজকুমাৰৰ মনত পৰিল গুৰু মহেন্দ্ৰযোগীৰ সাৱধানবাণী। দুৰ্গাৰ বাহন সিংহৰ কথা চিন্তা কৰাৰ মুহূৰ্তত ৰাজকুমাৰে ৰজাক ক'লে, "মহাৰাজ, ৰাজকুঁৱৰীৰ অসুখ অতি মাৰাত্মক, কোনেও তেওঁক সুস্থ কৰি তুলিব নোৱাৰিব।"

ৰাজকুমাৰৰ কথাত ক্ৰুদ্ধ হৈ ৰজাই ক'লে, "তুমি যাক দৰব দিয়া তেওঁ সম্পূৰ্ণ সুস্থ হৈ উঠে বুলি মই শুনিছোঁ। ৰাজকুঁৱৰীক তুমি দৰব নিদিবা কিয়? তুমি যদি ৰাজকুঁৱৰীক দৰব নিদিয়া, তেনেহ'লে এই মুহূৰ্ততে মই তোমাক দেশৰপৰা বহিষ্কাৰ কৰিবলৈ বাধ্য হ'ম।"

ৰাজকুমাৰে অলপ পৰলৈ ভাবি লৈ শান্তভাৱে ক'লে, "মহাৰাজ, আপুনি মোক আপোনাৰ ইচ্ছামতে দণ্ড দিয়ক; কিন্তু ৰাজকুঁৱৰীক মই দৰব দিব নোৱাৰিম।"

ৰজাই তৎক্ষণাৎ প্ৰহৰীহঁতক নিৰ্দেশ দিলে ৰাজকুমাৰক দেশৰ সীমা পাৰ কৰি থৈ আহিবলৈ। ৰজাই ৰাজকুমাৰক ক'লে, "মনত ৰাখিবা, আমাৰ প্ৰহৰীয়ে তোমাক যদি কোনোদিনে এই দেশত ক'ৰবাত দেখা পায়, তেনেহ'লে তোমাক তৎমুহূৰ্ততে কাৰাগাৰলৈ নিক্ষেপ কৰা হ'ব, আৰু বধ কৰা হ'ব।"

* * *

এই কাহিনী কোৱাৰ অন্তত বেতালে

ৰজা বিক্রমাদিত্যক সুধিলে, "হে ৰজা, এগৰাকী চিকিৎসক হিচাপে ৰাজকুমাৰৰ কাৰ্য্য সঠিক হৈছিলনে? ৰাজকুমাৰৰ মনত ধনৱান হোৱাৰ ইচ্ছা আছিল। তেনেস্থলত, ৰাজকুঁৱৰীৰ চিকিৎসা কৰাঁহেঁতেন, ভাল কৰি তোলাহেঁতেন, তেওঁ একলাখ সোণৰ মুদ্রা পালেহেঁতেন। ৰাজকুমাৰে আই দুৰ্গাৰ বাহনক সোঁৱৰা মাত্রেই দেখোন যমৰ বাহন ম'হটো গুচি গ'লহেঁতেন ৰাজকুঁৱৰীক এৰি। ৰাজকুমাৰে তাকে নকৰিলে কিয়? এয়া ৰাজকুমাৰৰ মূৰ্খতা নহয়নে? শিশু সুলভ আচৰণ নহয়নে? মোৰ এই প্রশ্নৰ উত্তৰত সঠিককৈ জনা সত্বেও নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা অত্যন্ত সত্য বুলি জানিবা।"

বেতালৰ প্রশ্নৰ উত্তৰত ৰজা বিক্রমাদিত্যই ক'লে, "এই কথা ঠিক যে ৰাজকুমাৰে ধনাৰ্জনৰ বাবেহে তেওঁৰ গুৰু মহেন্দ্রযোগীৰপৰা যমৰজাৰ বাহন ম'হ খেদোৱাৰ কৌশল শিকি লৈছিল। কোনো ধনী মৃত্যুবপথযাত্রীক অৱধাৰিত মৃত্যুৰপৰা ৰক্ষা কৰি অগাধ সম্পদৰ গৰাকী হোৱাৰ বাসনা ৰাজকুমাৰৰ মনত নিশ্চয় আছিল। আই দুৰ্গাৰ বাহন সিংহক সুঁৱৰি যমৰজাৰ বাহন ম'হক খেদি দিয়াহেঁতেন ৰাজকুমাৰৰ চিকিৎসা কৰাৰ ক্ষমতাও নোহোৱা হ'লহেঁতেন। ৰাজকুমাৰৰ মনত তেতিয়া ধনস্পৃহাতকৈ পৰোপকাৰৰ স্পৃহা অধিকভাৱে জাগ্রত হৈ উঠিছিল। হাজাৰ হাজাৰ ৰোগক্লিষ্ট মুমূৰ্ষুক ৰোগমুক্ত কৰাত ৰাজকুমাৰৰ মনত এই পৰিৱৰ্তনৰ সৃষ্টি হৈছিল। এতেকে— ৰাজকুমাৰৰ এই কাৰ্য্যক মূৰ্খতা, বা শিশু-সুলভ বুলি ক'ব নোৱাৰি।"

বিক্রমাদিত্যই এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

লক্ষ্যভেদ

হঠাৎ এদিন নিৰাপদই ভাবিলে যে সি জীৱনত একো নকৰিলে। তাৰ চকুৰ আগত কিমানে যে দোপত দোপে উন্নতি কৰিলে ; কিন্তু সি— ? জীৱনত একো কৰিব পৰা নাই। ধন, মান, বা খ্যাতি—একোৱেই নাপালে সি।

নিৰাপদই ভাবি ভাবি আত্মহত্যা কৰাটোকে খাটাং কৰি পেলালে। সি এক গভীৰ অৰণ্যলৈ গ'ল। কোনোবা হিংস্ৰ জানোৱাৰে তাক খায় যদি খাওক। কিন্তু গৈ গৈ নিৰাপদই এগৰাকী সাধুক লগ পালে। সাধুৱে নিৰাপদক সুধিলে, "হিংস্ৰ জন্তুৰে পৰিপূৰ্ণ এই গভীৰ অৰণ্যত ঘূৰি ফুৰিছা কিয় ?"

"প্ৰভু মই জীৱনত একো কৰিব নোৱাৰিলোঁ। এই অৰণ্যত সোমাইছোঁহি হিংস্ৰ জন্তুৰ খাদ্য হ'ম বুলিয়েইহে। মোৰ আৰু জীয়াই থকাৰ ইচ্ছা নোহোৱা হৈছে, প্ৰভু !"

সাধুৱে হাঁহি মাৰি ক'লে "জীৱনতো একো কৰিব পৰা নাই বুলি খেদ হৈছে তোমাৰ। জীৱনত কিবা কৰিবা বুলি প্ৰতিজ্ঞা লৈছিলানে কেতিয়াবা ?"

হতভম্ব নিৰাপদই ক'লে, "ন্—নহয়, প্ৰভু !"

"ধনু-কাঁড় নোলোৱাকৈই লক্ষ্যভেদ কৰিব পৰা নাই খেদ প্ৰকাশ কৰিছা ?" সাধুৱে পুনৰ হাঁহি মাৰি ক'লে।

সাধুৰ কথাই নিৰাপদক জ্ঞান দিলে। এই ঘটনাৰ পাছৰপৰা নিৰাপদই আৰু কোনোদিনেই জীৱনত একো কৰিব নোৱৰাৰ বাবে খেদ প্ৰকাশ কৰা নাছিল।

যোগ্যতাৰ বিচাৰ

জমিদাৰ পৰামৰ্শদাতাৰ পদৰ নিযুক্তি বিচাৰি গৌৰাংগ আৰু গম্ভীৰানন্দ নামৰ দুজ প্ৰাৰ্থী জমিদাৰৰ ওচৰত উপস্থিত হ'ল। জমিদাৰে প্ৰথমতে গৌৰাংগক সুধিলে, "যিমানবোৰ দায়িত্ব দিয়া হ'ব আটাইবোৰ নিৰ্ভুলভাৱে কৰিব আৰু মনত ৰাখিব পাৰিবানে তুমি ?"

এই প্ৰশ্নৰ উত্তৰত গৌৰাংগই কৈ উঠিল, "মোৰ একুৰি বছৰীয়া অভিজ্ঞতাৰ কিবা দাম নাইনে ? যোৱা একুৰি বছৰত মই ভালেমান জমিদাৰৰ অধীনত কাম কৰিছোঁ। মোৰ তুল হোৱা বুলি কোনেও ক'ব নোৱাৰিব। প্ৰত্যেকৰপৰা পোৱা প্ৰশংসাপত্ৰ মোৰ আছে।" এই বুলি কৈ, গৌৰাংগই কাগজ এজাপ দিলে।

জমিদাৰে গৌৰাংগৰ প্ৰশংসাপত্ৰবিলাক তেওঁৰ দেৱানক চাবলৈ দিলে, আৰু আন প্ৰাৰ্থী গম্ভীৰানন্দক মতাই অনালে। গম্ভীৰানন্দই ক'লে, "চাওক, প্ৰতিটো কাম নিৰ্ভুলভাৱে কৰিব পাৰিমেই—এই কথা মই দিব নোৱাৰিম। কাম কৰি থাকোঁতে কামৰ মাজত ভুলভ্ৰান্তি ওলাব আৰু তেতিয়া ভুলখিনি শুধৰাই ল'ম। আৰু মনত ৰাখিব পাৰিমনে নাই—সেই কথাৰ প্ৰমাণো কাম কৰি থাকোঁতেহে পাব।"

জমিদাৰে বিৰক্তিৰে ক'লে, "তোমাৰ নিজৰ ওপৰত ইমানকণ বিশ্বাস নাই যেতিয়া, নহাটোৱেই উচিত আছিল।"

"ক্ষমা কৰিব, মোৰ বক্তব্য শেষ হোৱা নাই এতিয়ালৈকো। কাম কৰোঁতে মাজে-সময়ে ভুল হ'ব পাৰে, আৰু সেই

ৰণজিৎ ভুঞা

ভুল সংশোধন কৰি আগলৈ যাতে তেনেবোৰ ভুল নহয়, তাৰ বাবে সাৱধান হ'ম। এনেকৈয়েইই মানুহ অভিজ্ঞ হয়। অৱশ্যে—এইবোৰ কথা আপুনিও নজনা নহয়।" গম্ভীৰানন্দই ক'লে।

জমিদাৰে গম্ভীৰানন্দক পাছদিনাৰে-পৰাই কামত যোগ দিয়াৰ কথা কৈ, সিদিনা বিদায় দিলে। গম্ভীৰানন্দক চাকৰিত মকৰল কৰাত জমিদাৰৰ দেৱানে অবাক মানি ক'লে, "আপুনি গৌৰাংগক কিয় যে এই চাকৰিত নল'লে মই বুজা নাই। গৌৰাংগই দিয়া প্ৰশংসাপত্ৰ-বিলাকত তাৰ উচ্চ প্ৰশংসা কৰা হৈছে।"

দেৱানৰ প্ৰশ্নৰ উত্তৰত জমিদাৰে ক'লে, "প্ৰকৃত কাম কৰা মানুহে ভুলো কৰিবই। গৌৰাংগই নিজে কেতিয়াও কাম কৰিছিলনে নাই—মোৰ সন্দেহ। গৌৰাংগ যদি ইমানে দক্ষ, নিৰ্ভুল কৰ্মী এজন—তেনেহ'লে ইঠাইৰপৰা সিঠাইলৈ বাগৰি ফুৰিছিলনো কিয়? একেজন জমিদাৰৰ অধীনত কাম নকৰিলে কিয়? ভাল কৰ্মী এজনক কোনোবাই এৰি দিয়েনে? নিদিয়ে। প্ৰশংসাপত্ৰ এখনত কোনেও বেয়া কথা নিলিখে। এতেকে—এনেবোৰ প্ৰশংসাপত্ৰই সদায় সঁচা কথা নক'বো পাৰে। গৌৰাংগৰ সত্যবাদিতাত মোৰ সন্দেহ আছে। আনহাতে, গম্ভীৰানন্দই সত্য কথা কৈছিল, ভুল সংশোধনত আগ্ৰহ প্ৰকাশ কৰিছিল।"

জমিদাৰৰ বক্তব্য উপলব্ধি কৰি দেৱানে লজ্জিতভাৱে ক'লে, "মই বিষয়টোৰ এইবোৰ দিশলৈ ভাবি চোৱা নাছিলোঁ।"

পাছদিনা গম্ভীৰানন্দই কামত যোগদান কৰিলে। কিছুদিনৰ অন্তত দেৱানে বুজিব পাৰিলে যে যোগ্যতাৰ বিচাৰ কিমান সঠিককৈ কৰা হৈছিল। গম্ভীৰানন্দই অতি যোগ্যতাৰে কাম কৰি পাছত দেৱানৰ পদো অলংকৃত কৰিছিল।



তেমিয়-ৰহস্য

কাশীৰাজ ব্ৰহ্মদত্তই মদ্ৰদেশৰ ৰাজকুঁৱৰী চন্দ্ৰাদেৱীক বিয়া কৰাই পাটৰাণীৰ মৰ্য্যাদা দিলে; যদিও, মহাৰাজ ব্ৰহ্মদত্তৰ আন কেইবাজনী পত্নীও আছিল।

বহু বছৰ পাৰ হ'ল। কিন্তু চন্দ্ৰাদেৱীৰ সন্তান নোপজিল। কেৱল ৰজা ব্ৰহ্মদত্তয়েই নহয়, তেওঁৰ মন্ত্ৰী, সেনাপতি আৰু অন্যান্য বিশ্বস্ত ৰাজকৰ্মচাৰীসকলো এটা কথাত দুশ্চিন্তাগ্ৰস্ত হৈ পৰিছিল—ৰজা ব্ৰহ্মদত্তৰ পুত্ৰসন্তান নাই! কিয়নো, ৰজাৰ মৃত্যুৰ পাছত পাটৰাণীৰ জ্যেষ্ঠ পুত্ৰইহে ৰজা হ'ব. আন কোনো নহয়।

এনে অৱস্থাত ভালেমান শুভাৰ্থীয়ে ৰাণী চন্দ্ৰাদেৱীক সন্তান কামনা কৰি বিভিন্ন ব্ৰত পালন কৰিবলৈ উদগালে। ৰাণী চন্দ্ৰায়ো প্ৰতিগৰাকী দেৱ-দেৱীলৈ কৈছিল, "মই যদি পৱিত্ৰ, মোক পুত্ৰসন্তান এটি দিয়াঁ।"

পাটৰাণী চন্দ্ৰাদেৱীৰ নিষ্ঠাত মুগ্ধ হৈ দেৱৰাজ ইন্দ্ৰই তেওঁৰ ইচ্ছা পূৰণ কৰিব বুলি স্থিৰ কৰিলে। কেনেকৈ কি কৰিলে চন্দ্ৰাদেৱীৰ পুত্ৰসন্তান হ'ব—সেই কথা ভাবি ভাবি ইন্দ্ৰৰ মনত পৰিল বোধিসত্ত্বৰ কথা।

এসময়ত বোধিসত্ত্বই কাশীৰ ৰজাৰূপে একুৰি বছৰলৈ শাসন কৰি যি পাপ কৰিছিল, সেই পাপৰ প্ৰয়শ্চিত্ত কৰিবলৈ আশী সহস্ৰ বছৰলৈ শাস্তি ভুঞ্জি আছিল। তাৰ পাছত বোধিসত্ত্বই দেৱলোকলৈ প্ৰৱেশাধিকাৰ লাভ কৰিলে, দেৱলোকতো তেওঁৰ দিন শেষ হৈ অহাত উৰ্ধলোকলৈ যোৱাৰ যো-যা চলি আছিল। এনেতে

দিনত চন্দ্ৰাদেৱীৰ গৰ্ভত বোধিসত্ত্বৰ জন্ম হ'ল, আৰু একেদিনাই বোধিসত্ত্বৰ অনুগামী পাঁচশজনৰো জন্মলাভ হ'ল।

ৰজা ব্ৰহ্মদত্তই বোধিসত্ত্বক চোৱা-চিঁতাৰ বাবে চৌশষ্ঠিজন মানুহক নিযুক্ত কৰিলে। পুত্ৰসন্তান জন্ম দিয়াৰ পাছত ৰজা ব্ৰহ্মদত্তই পাটৰাণী চন্দ্ৰাদেৱীক তেওঁৰপৰা এটি বৰ খুজি ল'বলৈ ক'লে। পাটৰাণীয়ে ক'লে, "আপুনি যে মোক বৰ দিব খুজিছে তাৰেই মই ধন্য মানিছোঁ। মই এতিয়াই আপোনাৰপৰা বৰ খুজি নলওঁ। যথাযোগ্য সময়ত মই বৰ খুজি ল'ম, তেতিয়া বৰ দিবলৈ নাপাহৰে যেন।"

এই জনমত বোধিসত্ত্বৰ নাম হ'ল তেমিয়। ৰজাৰ আদেশত জ্যোতিষীসকলে তেতিয়াৰ বিভিন্ন লক্ষণ পৰ্য্যৱেক্ষণ কৰি ক'লে, "মহাৰাজ, কোনো ফালৰেপৰাই এই সন্তানটিৰ বিপদৰ আশংকা নাই।"

তেমিয় যেতিয়া ঠিক এমহীয়াটো হ'ল, তেতিয়া ৰজা ব্ৰহ্মদত্তই এদিন তেমিয়ক কোলাত লৈ ৰাজসভাস্থ সিংহাসনত বহিলগৈ। সিদিনা চাৰিটা চোৰৰ বিচাৰ কৰা হ'ল। ৰজাই এটা চোৰক এহেজাৰ সৌকাৰ কোব, দ্বিতীয়টোক যাৱজ্জীৱন কাৰাদণ্ড, তৃতীয় চোৰক শূলবিদ্ধ, আৰু চতুৰ্থ চোৰটোক

ইন্দ্ৰই বোধিসত্ত্বক ক'লেগৈ, "বন্ধু, তুমি এতিয়া মৰ্ত্যলৈ যোৱা যদি—ঢেৰ পুণ্যাৰ্জন কৰিব পাৰিবা, মানুহক উদ্ধাৰ কৰিব পাৰিবা। কাশীৰাজ ব্ৰহ্মদত্তৰ পাটমাদৈ চন্দ্ৰাদেৱীয়ে এটি পুত্ৰসন্তানৰ বাবে ঢেৰ ব্ৰত পালন কৰি আছে। তুমি মৰ্ত্য-লোককৈ গৈ চন্দ্ৰাদেৱীৰ পুত্ৰৰূপে জন্ম গ্ৰহণ কৰা—এয়ে মোৰ অনুৰোধ।"

ইন্দ্ৰৰ ইচ্ছানুসাৰে বোধিসত্ত্ব চন্দ্ৰাদেৱীৰ গৰ্ভত অনুপ্ৰৱিষ্ট হ'ল। লগে লগে বোধিসত্ত্বৰ পাঁচশগৰাকী অনুচৰ ব্ৰহ্মদত্তৰ অন্যান্য পত্নী আৰু আত্মীয়-স্বজনৰ পত্নী-সকলৰ গৰ্ভত অনুপ্ৰৱিষ্ট হ'লগৈ। নিৰ্দিষ্ট

ফাঁচীৰ জৰীত ওলমোৱাৰ নিৰ্দেশ দিলে।

বোধিসত্ত্বৰ আগৰ জনমৰ জ্ঞান এই জনমতো অটুট আছিল। তেওঁ ভাবিলে ঃ হায় হায়! মোৰ দেউতাই কী কৰিছে! দেউতাই-জানি বুজি নৰকবাস কৰিবলৈ ওলাইছে। মই এবাৰ একুৰি বছৰ ৰাজত্ব কৰি আশী হেজাৰ বছৰলৈ নৰক-যাতনা ভুঞ্জিলোঁ! কিন্তু পুনৰ মই দেখোন একেই পৰিবেশৰ মাজত পৰিলোঁহি। দেউতা যে নিজেও এজন চোৰ সেই কথা তেওঁ তো নাজানে। দেউতাৰ মৃত্যুৰ পাছত মোকহে ৰজা পাতিব। তেতিয়া দেখোন আকৌ নৰকলৈ যাব লাগিব!

এই ঘটনাৰ পাছৰপৰা তেমিয়ৰূপী বোধিসত্ত্বৰ মনত মাত্ৰ একেটা চিন্তা ঃ পুনৰ নৰক যন্ত্ৰণা ভুঞ্জিব লাগিব! তেমিৰ এনে মানসিক অৱস্থাত তেওঁৰ পূৰ্বজন্মৰ মাতৃয়ে তেমিয়ক দৰ্শন দিলেহি আৰু ক'লে, "বোপা, ভয় নকৰিবা। এই পাপ-জীৱনৰপৰা যদি মুক্তি বিচাৰা, তেনেহ'লে তুমি বোবা-কলাৰ অভিনয় কৰি থাকিবা। যেনিবা—তুমি কাণতো নুশুনা, মাত-বোল কৰিব নোৱাৰা, ভালকৈ খোজ কাঢ়িব নোৱাৰা, আৰু তোমাৰ স্মৃতিশক্তি যেনিবা একেবাৰেই নাই। এইদৰে, এই মানৱ-জনমলৈ অভিনয় কৰি যাব পাৰা যদি—

তেতিয়া নৰক-যাতনা ভুঞ্জিব নালাগে।"

বোধিসত্ত্বই তেওঁৰ পূৰ্বজন্মৰ মাতৃৰ নিৰ্দেশমতে এই জনমৰ জীৱনযাপন কৰাটোকে স্থিৰ কৰিলে।

বোধিসত্ত্ব তথা তেমিয়ৰ লগতে একে-দিনাই জন্ম লোৱা আন পাঁচশ ল'ৰাকো ৰজা ব্ৰহ্মদত্তই একেই ঠাইত ৰাখিছিল। ভোক লাগিলেই পাঁচশ ল'ৰাই ৰাউচি জুৰিছিল; কিন্তু বোধিসত্ত্ব আছিল নিৰ্বিকাৰ। তেওঁ ভাবিছিল ঃ ভয়ংকৰ নৰকযন্ত্ৰণা ভুঞ্জি থকাতকৈ ভোকত মৰাও ভাল।

বোধিসত্ত্ব তথা তেমিয়ক চোৱা-চিঁতা

কৰা লিগিৰাবিলাকে ৰাণীক ক'লেগৈ যে তেমিয়ই একো খাবলৈ নিবিচাৰে। ৰজাই এই কথাৰ উত্তৰ বিচৰাত ব্ৰাহ্মণ-সকলে বিস্তৰ কিতাপপত্ৰৰ পাত লুটিয়াই ক'লে, "তেমিয়ই নাখায় যদি, নোখোৱা-কৈয়েই থাকক, দুশ্চিন্তাৰ আৱশ্যক নাই! পিছে—তাক যদি এটা নিৰ্দিষ্ট সময়ত খাবলৈ দিয়ে, খাব সি।"

ব্ৰাহ্মণগণে ঠিকেই কৈছিল। নিৰ্দিষ্ট সময়ত খাবলৈ দিলেই তেমিয়ই খাইছিল, কেতিয়াবা খাবলৈ নিদিয়াকৈয়ো তাক পৰীক্ষা কৰা হৈছিল। কিন্তু তেমিয়ই কন্দাকটা নকৰিছিল। তাৰ ফলত ৰজা-ৰাণীয়ে অবাক মানিছিল। মাজে-সময়ে অন্যান্য ল'ৰাই তেমিয়ক মৰিয়াইছিল; কিন্তু তথাপি তেমিয় আছিল নিৰ্বিকাৰ।

এইদৰে, চাৰি বছৰ উকলিল। তেমিয় এতিয়া পাঁচ বছৰীয়া ল'ৰা। তাক এতিয়ালৈকে বিভিন্ন ধৰণে পৰীক্ষা কৰা হয়, কিন্তু তেমিয়ৰ উন্নতি-অৱনতি বোলা যেনিবা একোৰেই নাই। এদিন পাঁচশ জন শিশু আৰু তেমিয়ক এঠাইত বহুৱাই জুই লগাই দিয়া হ'ল। লগে লগে পাঁচশ শিশুৱে আৰ্তনাদ কৰি, লৰা-ধপৰা কৰি তাৰপৰা ওলাই গুচি গ'ল। কিন্তু তেমিয়ৰূপী বোধিসত্ত্বই ভাবিলে: আগলৈ নৰকযন্ত্ৰণা ভোগ কৰাতকৈ এই জুইত পুৰি মৰাটোও ভাল। এই কথা ভাবি তেমিয় তাত বহি থাকিল। তাৰ এনে নিৰ্বিকাৰ নিৰ্লিপ্ত আচৰণ দেখি সকলোটি অবাক-হতবাক হ'ল।

তাৰ পাছত, দুবছৰৰ পাছত, এদিন সেই পাঁচশজন ল'ৰা আৰু তেমিয়ক এঠাইতে বহুৱাই কিছুমান বিহদাঁত উঘলা আৰু মুখ চিলাই কৰি দিয়া সাপ মেলি দিয়া হ'ল। সাতবছৰীয়া শিশুহঁতে সাপ-বিলাকৰ দাঁত নোহোৱা বা মুখ চিলোৱাৰ কথা নাজানে। গতিকে—সিহঁতে ভয় খাই দৌৰি পলাল। কিন্তু বোধিসত্ত্ব তাত

অচল-অটল হৈ বহি থাকিল। সাপবিলাক তেমিয়ৰূপী বোধিসত্ত্বৰ গাত বগাবলৈ ধৰিলে, কোনোবাটোৱে তেমিয়ৰ মূৰৰ ওপৰত উঠি ফেঁট মেলিলে; কিন্তু বোধিসত্ত্ব নিৰ্বিকাৰ!

বোধিসত্ত্বৰ ভৰিত একো দোষ নাছিল, মুখতো একো ত্ৰুটি দেখা নগৈছিল। তথাপি যে কিয় খোজ কাঢ়িব নোৱাৰে, মাতবোল নকৰে, তাৰ উত্তৰ কোনো বৈদ্যয়েই আৱিষ্কাৰ কৰিব নোবাৰিলে।

পাঁচশ ল'ৰাই, আৰু লগতে তেমিয়ো নাট চাবলৈ বহিল। খুহুতীয়া নাট। সকলো ল'ৰাই হাঁহি হাঁহি বাগৰি পৰিল, কিন্তু তেমিয় বোবা দৃষ্টি মেলি নিৰ্বিকাৰ ভাৱে শিলৰ মূৰ্তিৰ দৰে বহি থাকিল।

ভাৰৰীয়া এজনে বিৰাট তৰোৱাল দাঙি লৈ চিঞৰি ক'লে, "ক'ত সেই ৰজাৰ ল'ৰাটো, আজি মই তাক হত্যা কৰিমেই।" এই বুলি কৈয়েই ভাৰৰীয়া জনে তৰোৱাল হাতত লৈ তেমিয়ৰ ওপৰত জঁপিয়াই পৰিল। কিন্তু তেমিয় তেনে-কৈয়েই লৰচৰ নকৰাকৈ বহি থাকিল।

তাৰ পাছত এদিন তেমিয়ৰ কাণৰ নিচেই কাষত থিয় হৈ ভালে কেইজনমানে একেলগে শংখ বজাই থাকিল। কিন্তু তেমিয় তেমিয়তে থাকিল। আন এদিন ভালেমান ঢুলিয়াই তেমিয়ৰ কাষত থিয় হৈ একেলগে বিকটভাৱে ঢোল বজাবলৈ ধৰিলে; কিন্তু তেমিয়ই একেবাৰে একো নুশুনাৰ ভাও জুৰিলে।

আন এদিন তেমিয়ৰ গাত গুৰ লগোৱা হ'ল, আৰু লগে লগে হাজাৰ-বিজাৰ পৰুৱা তেমিয়ৰ গাত উঠি কুটকুটাবলৈ ধৰিলে। তথাপি তেমিয় একেবাৰে নিৰ্বিকাৰ হৈ থাকিল। তাৰ মাজত একো প্ৰতিক্ৰিয়া দেখা নগ'ল।

আন এদিন তেমিয়ৰূপী বোধিসত্ত্বৰ বিছনাৰ তলত জুই জ্বলোৱা হ'ল। কিন্তু তথাপি এই বোধিসত্ত্ব মুঠেই নদমিল।

আৰু এনেকৈয়েই বোধিসত্ত্ব চাওঁতে চাওঁতে ষোল বছৰীয়াটো হৈ উঠিল। তেতিয়া ৰজা ব্ৰহ্মদত্তই ভাবিলে: বোবা হওক কলা হওক যি হওক যা হওক— যৌৱনে বৈ নাথাকে। যৌৱনে বোবাকো চঞ্চল কৰি তুলিব। তেমিয়ক ভাল পাব —এনেকুৱা গাভৰু কেইজনীমান লাগে। তেতিয়া তাৰ মনৰ পৰিৱৰ্তন নহৈ নোৱাৰে। এই কথা ভাবি ৰজাই ধুনীয়া ধুনীয়া গাভৰুহঁতক পঠালে তেমিয়ৰ আগত নৃত্য-গীত কৰিবলৈ।

ৰজাৰ নিৰ্দেশমতে তেমিয়ৰ গা ধোৱাই সজাই-পৰাই কোমল শয্যাত শোৱাই দিয়া হ'ল, আৰু সুন্দৰী তৰুণীহঁতে তাৰ আগত নাচ-গান কৰি থাকিল।

তেমিয়ই ভাবি থাকিল: ইহঁতৰ গাত লাগি যি বায়ু বলিছে, সেই বায়ু গ্ৰহণ কৰিলেও মোক কিজানি পাপে ছুব। এই কথা ভাবি তেমিয়ই উশাহ বন্ধ কৰি বহি থাকিল।

নাচি-বাগি থকা গাভৰুহঁতে ডেকা তেমিয়ৰ এই কাণ্ড দেখি প্ৰচণ্ড ক্ৰুদ্ধ হৈ ক'লেগৈ, "মহাৰাজ, আমি সাধ্যমতে চেষ্টা কৰিও ৰাজকোঁৱৰৰ মনোযোগ আকৰ্ষণ কৰিব পৰা নাই। তেওঁ উশাহ বন্ধ কৰি বহি আছে। তেওঁ আমালৈ ঘূৰিও নাচায়। আমাৰ ৰাজকোঁৱৰৰ ৰাক্ষস বুলি কোৱাৰ ধৃষ্টতা আমি নকৰোঁ; কিন্তু তেওঁক চঞ্চল কৰাৰ ক্ষমতাও আমাৰ নাই।"

ৰজা আৰু ৰাণীয়ে এইদৰে ষোল বছৰ ধৰি বহু ধৰণে চেষ্টা কৰিলে তেমিয়ক পৰিৱৰ্তিত কৰিবলৈ। কিন্তু তেওঁলোকৰ সকলো চেষ্টা ফুটা পাত্ৰৰ পানী যেনহে হ'ল। তেওঁলোকৰ সকলো চেষ্টা-প্ৰচেষ্টা অথলে গ'ল। কিয় বা কিহৰ কাৰণে যে তেমিয়ই এনেকুৱা আচৰণ কৰি আছে, কী সেই ৰহস্য—কোনেও তাৰ উৱাদিহ আৱিষ্কাৰ কৰিব নোৱাৰিলে। [অহা সংখ্যাত

আমাৰ দ'ল-দেৱালয়

অমৰনাথ

এদিন পাৰ্বতীয়ে শিৱক সুধিলে, "হে পৰমেশ্বৰ, আপুনি মাজে-সময়ে লাও-খোলাৰ মালা পিন্ধে কিয়?" শিৱই ক'লে, "পূৰ্ব জনমত এই মালা তোমাৰ আছিল।" তাৰ পাছত পাৰ্বতীয়ে শিৱক সুধিলে, "আপোনাৰ মৃত্যু নহ'ল. মোৰ মৃত্যু হ'ল কিয়?"

শিৱই পাৰ্বতীক জন্ম-মৃত্যুৰ ৰহস্য জনাব বুলি ভাবিলে। কিন্তু তাৰ কাৰণে প্ৰাণী নথকা পৰিবেশ এখন লাগে। শিৱৰ আদেশত এনেহেন ঠাই বিচাৰি ৰুদ্ৰগণ দহো-দিশলৈ ওলাল।



ৰুদ্ৰগণে হিমালয়ত এটা গুহা আৱিষ্কাৰ কৰিলে, যাৰ ওচৰে-পাজৰে কোনো-বিধৰ জন-প্ৰাণী নাছিল। সেই গুহাৰ ভিতৰত সোমাই শিৱই পাৰ্বতীক জন্ম-মৃত্যুৰ ৰহস্য ক'বলৈ ধৰিলে।



শিৱৰ কথা শুনি থাকোঁতে পাৰ্বতী গভীৰ নিদ্ৰাত আচ্ছন্ন হৈ পৰিল। কিন্তু তথাপি পাৰ্বতীয়ে কথাইপ্ৰতি 'হয়' 'হয়' বুলি কোৱাত ওচৰে-পাজৰে নিশ্চয় কোনো প্ৰাণী আছে বুলি ভাবি দেৱাদিদেৱে তন্নতন্নকৈ বিচাৰি থাকিল।

শিৱ-পাৰ্বতী য'ত বহি আছিল, তাৰ-পৰা এটি কণমাণি চৰাই উৰি গুচি গ'ল। কণীৰপৰা ওলাই, সদ্যোজাত চৰাইটিয়ে শিৱৰ মুখৰপৰা জন্মৰহস্য শুনি হঠাৎ তাৰপৰা উৰি গুচি গ'ল।



বহু দূৰত, মহৰ্ষি ব্যাসৰ সমুখত বহি তেওঁৰ পত্নীয়ে চুলি ফণিয়াই আছিল। চৰাইটিয়ে উৰি উৰি মহৰ্ষি ব্যাসৰ ওচৰলৈ গৈ ব্যাসৰ মাজত লীন হৈ গ'ল আৰু পাছত মহৰ্ষিৰ পত্নী ৰগৰ্ভৰ-পৰা জন্ম ল'লে। তাৰ নাম হ'ল 'শুক'।

শিৱই যিটো গুহাত পাৰ্বতীক জন্ম-মৃত্যু ৰহস্য কৈছিল, সেই গুহা পৱিত্ৰ তীৰ্থ হ'ল। বহু শতাব্দীৰ অন্তত এটা ভেৰাক বিচাৰি এজন ভেৰাৰখীয়া সেই গুহাৰ ভিতৰলৈ সোমালগৈ।



তাত সোমায়েই সি বৰফেৰে আবৃত অতি ওখ এক শিৱ-লিংগ দেখা পালে। এই কথাটো সেই ভেৰাৰখীয়াই কাশ্মীৰৰ মহাৰজাক ক'লেগৈ।

কাশ্মীৰৰ মহাৰজাই সপৰিয়ালে সেই পৱিত্ৰ গুহা পৰিদৰ্শনলৈ গ'ল। সেই অঞ্চলৰ মানুহে এই গুহাটিক সযত্নে ৰক্ষা কৰিবলৈ মহাৰজাক খাটিলে।

তেতিয়াৰেপৰাই, প্ৰতি বছৰৰ অগাস্ট মাহত অসংখ্য তীৰ্থযাত্ৰী এই গুহাস্থিত শিৱলিংগ দৰ্শন কৰিবলৈ আহে। এই গুহা কাশ্মীৰস্থিত পহলগাঁও অঞ্চলৰ-পৰা ছয়চল্লিছ মাইল দূৰত অৱস্থিত।

এই গুহাৰ চাৰিওফালৰ নৈসৰ্গিক দৃশ্যই তীৰ্থযাত্ৰীসকলৰ মনত অপাৰ আনন্দৰ সঞ্চাৰ কৰে। তীৰ্থযাত্ৰীসকলে পহলগাঁৱৰপৰা বাওণা হৈ বৰফৰ ওপৰেদি খোজ কাঢ়ি তিনিৰপৰা পাঁচ দিনৰ ভিতৰত এই গুহা পায়গৈ।



এই গুহাৰ ভিতৰত প্ৰতি বছৰ প্ৰকৃতিৰ অমোঘ নিয়মতে বৰফৰ লিংগ এটি গঢ় লয়। কোৱা হয় যে, মহৰ্ষি ভৃগুৱে এই লিংগ দৰ্শন কৰিবলৈ ইয়ালৈ আহিছিল। প্ৰতি বছৰ হাজাৰ বিজাৰ তীৰ্থযাত্ৰীয়ে এই 'অমৰনাথ' নামৰ গুহা পৰিদৰ্শনলৈ যায়।

মন্ত্ৰ নহয়—কৰ্ম

ৰংপুৰৰ ৰতুমণি আছিল এলেহুৱা আৰু অকৰ্মণ্য। কোনো কামলৈ তাৰ মন-কাণ নাছিল, মাত্ৰ এটা বাদে। এটা মাত্ৰ কাম কৰি সি ভাল পাইছিল, সি আত্মপ্ৰশংসা কৰি ফুৰিছিল। নিজৰ ঢোল নিজেই কোবাই ফুৰা মানুহক কোনেও ভাল নাপায়—এই কথাটো তাৰ মগজুত একোপধ্যে নোসামাইছিল।

এদিন সি নিজৰ সম্পৰ্কে বৰাই কৰি থাকোঁতে এজনে কৈ উঠিল, "কোনটো কামত তোমাৰ কৃতিত্ব আছে কোৱাচোন? তোমাক যেতিয়াই দেখা পাওঁ—তুমি তেতিয়া গছৰ ছাঁত শুই আছা। শুই-বহি কটোৱাটোৱে তোমাৰ কামনে বাৰু?"

ৰতুমণিয়ে মানুহজক ঘূৰাই সুধিলে, "তুমিচোন গোটেই দিন ধৰি কাম কৰা, তুমি হ'লা কৰ্মবীৰ। একেলগে কেইটা মধুৰিআম খাব পাৰা কোৱাচোন?"

মানুহজনে—মানে—সুৰেনে অলপ ভাবি লৈ ক'লে, "পোন্ধৰটা।"

"মই ছকুৰি মধুৰিআম একেলগে খাব পাৰোঁ, বুইছানে?" ৰতুবেমণিৰে ক'লে।

সুৰেনে অবাক হৈ, ভেবা লাগি লাহেকৈ ক'লে, "ইম্—মানবোৰ খাব পাৰা! খোৱাচোন চাওঁ?"

"লৈ আহাঁ ছকুৰি মধুৰিআম, পাৰোঁনে নোৱাৰোঁ চাবা।" ৰতুমণিৰে ক'লে।

সুৰেনে তাৰ বন্ধু-বান্ধৱহঁতক ক'লেগৈ কথাটো। সিহঁতে ছকুৰি মধুৰিআম গোটাই লৈ আহিল। ৰতুমণিয়ে অতি সহজেই ছকুৰি মধুৰিআম খালে।

"কোনো কাম-বন নকৰাকৈয়েই মই

উৰ্মিলা ৰায়চৌধুৰী

ইমানখিনি খাব পাৰোঁ, কাম-বন যদি কৰোঁ—ভোক আৰু নচৰিবনে বাৰু?"

"কথাটো—হওঁতে সঁচা।" সুৰেনে সমস্যাটো বুজাৰ দৰে ক'লে।

"মোক কাম কৰিবলৈ কোৱাটোৱেই অনিয়ায়। মই বৰঞ্চ খাৱনৰ প্ৰতিযাগিতাত প্ৰথম স্থান অধিকাৰ কৰি গাঁৱৰ নাম উজলাব পাৰোঁ। নিজৰ গাঁৱৰ নাম-যহ কাক নালাগে? সকলোকে লাগে।"

এনে ধৰণৰ প্ৰতিযোগিতাৰ কথা ৰতুমণিৰে কোৱাৰ অলপ কাৰণ আছিল। কাৰণ আছিল এয়ে যে—চুবুৰীয়া গাঁৱৰ জমিদাৰে প্ৰতিবছৰ খাৱনৰ প্ৰতিযোগিতা পাতিছিল। শ্ৰেষ্ঠ খাৰৈয়াক জমিদাৰে পূৰ্ণ এবছৰলৈ খুৱাইছিল। এই প্ৰতি-যোগিতাত শ্ৰেষ্ঠত্ব আৰ্জি এবছৰলৈ আৰামৰে হাৰামৰ খাৱন খোৱাটোৱেই আছিল ৰতুমণিৰ উদ্দেশ্য।

ৰতুৰ কথা শুনি সুৰেন গাঁওবুঢ়াৰ কায চাপিল আৰু সকলো কথা ক'লে।

গাঁৱৰ গাঁওবুঢ়াই ভাবিলে: ধোদৰ পচলা ৰতুমণিয়ে প্ৰতিদিন পেট পূৰাই খাব পৰাৰ কৌশল কৰিছে। তাক উচিত শিক্ষা দিব লাগিব। —এই কথা ভাবি গাঁওবুঢ়াই সৰ্বভুক নামৰ মানুহ এজনক মতাই পঠিয়ালে। সৰ্বভুকে জমিদাৰৰ অধীনত কাম কৰে। আৰু প্ৰতিবছৰ খাৱনৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ হয়। সৰ্বভুক আহিল, আৰু তাৰ পাছত গাঁওবুঢ়াই ৰতুমণিকো মতাই অনাই তাক সুধিলে, "ৰতু, তুমি অহাবাৰ খাৱনৰ প্ৰতিযোগিতাত নাম লগাবা বুলি শুনিলোঁ। ঠিক আছে আমি তোমাক খুৱাই থাকিম শ্ৰেষ্ঠত্ব অৰ্জাৰ বাবে। পিছে—এতিয়া তুমি কিমান খাব পাৰা তাৰো এটা উমান লোৱা প্ৰয়োজন। তুমি আমাৰ আগত যদি সৰ্বভুকতকৈ অধিক খাব পাৰা, যদি পৰাজিত কৰিব পাৰা, আমি তোমাক খুৱাই থাকিম।"



ৰতুমণি ৰাজী হ'ল। সৰ্বভুকে ৰতুমণিক সুধিলে, "তুমি তোমাৰ এই খীণ-মিন চেহাৰা-পাতি লৈ মোৰে সৈতে প্ৰতি-যোগিতা কৰিবা? সঁচ্‌চা?"

"নিচ্—চয়। মই একেলগে ছকুৰি মধুৰিআম খাব পৰা মানুহ, জানানে?"

সৰ্বভুকে ক'লে, "ঠিক আছে, কালিলৈ আমাৰ মাজত প্ৰতিযোগিতা হ'ব। তুমি খাবা, মই তাতকৈ কমেও দহটা যিমান বেছি খামেই খাম।"

পাছদিনা প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ল। প্ৰথমে ৰতুমণিয়ে খাৰনত বহি দুশ পিঠা খালে। তাত উপস্থিত ৰাইজ ৰতুৰ খাৰন দেখি আচৰিত হ'ল। তাৰ পাছত সৰ্বভুকৰ পাল। এশ আশীটা খোৱাৰ অন্তত সৰ্বভুকৰ মুখখন শেঁতা পৰিল। পিঠাবিলাক আৰু অলপ ডাঙৰকৈ বনাবলৈ ৰতুৱে ৰান্ধনিক ইংগিত দিলে।

ৰতুমণিয়েই সৰ্বভুকলৈ পিঠাৰ যোগান দি আছিল। সৰ্বভুকে আৰু দহটা খালে। এশ নব্বৈটা হ'ল। আৰু ৰতুমণিৰ বুকতো ঢিপঢিপনি আৰম্ভ হ'ল, কিয়নো সৰ্বভুকে এই পিঠা দহটাও অনায়াসেই খাইছিল। তাৰ পাছত সৰ্বভুকে অতি শান্তভাৱে আৰু দহটা পিঠা খোৱাত ৰতুমণিৰ জয়ৰ আশা নাইকিয়া হৈ আহিল। সৰ্বভুকে অতি কোমলকৈ হাঁহি মাৰি চালে ৰতুমণিলৈ। ৰতুৱে সৰ্বভুকক ক'লে, "মই দুশটা খাইছিলোঁ। তুমিও খালা। পিছে— মোতকৈ দহটা বেছিকৈ খাবা বুলি কৈছিলা যে—?"

তাৰ পাছত ৰতুমণিয়ে সৰ্বভুকক আৰু দহটা খুউৰাৰ ছলতে একুৰি পিঠা খুৱালে। তেতিয়া সৰ্বভুকে ক'লে, "ৰতু, তুমি এতিয়াও পৰাজয় মানি নল'বানে?"

"মই মানো বা নামানো—ৰাইজে দেখি আছেই।" ৰতুৱে গম্ভীৰভাৱে ক'লে।

"ঠিক, ঠিকেই কৈছা। ঠিক আছে,

অলপ পাছত মই আৰু এশ পিঠা খাই তোমাক তুষ্ট কৰিম। হ'ব? হ'বনে?" সৰ্বভুকে ৰতুক সুধিলে।

তেতিয়া ৰতুমণিয়ে সবিনয়ে সৰ্বভুকক ক'লে, "ইমানবোৰ পিঠা খোৱাৰ কৌশলটো মোক শিকাই দিবানে?"

"কৌশল—হওঁতে একোৱেই নাই। মোৰ ভোকৰ উমান লৈ মই খাওঁ। মোৰ এই খাৱনৰ গুৰিত কোনোবিধৰ কৌশল, জৰা-ফুক মন্ত্ৰ-তন্ত্ৰ একো নাই। পিছে—অলপ বুদ্ধিৰ খেলা নথকা নহয়। ঠিক আছে, তোমাক মই এটা পৰামৰ্শ দিওঁ। এতিয়াৰপৰা যাতে ভোক কমাব পাৰা, তাৰ চেষ্টা কৰা। কিয়নো—প্ৰতিদিনে তোমাক কোনেও দুশকৈ পিঠা খুৱাব নোৱাৰে।" সৰ্বভুকে ক'লে।

"ভোক—কমোৱাটো কেনেকৈ সম্ভৱ?" ৰতুৱে সৰ্বভুকক সুধিলে।

"শুনা, কাম-বন নকৰাহঁতকহে ভোকে খুলি খুলি খায়। কিয়নো সিহঁতৰ একমাত্ৰ চিন্তা থাকে খাৱনত। তুমি যদি পৰিশ্ৰম কৰা, তেনেহ'লে তোমাৰ ভোকো কমিব আৰু গা-মনো ভাল থাকিব। সৰ্বভুকে শান্তভাৱে ক'লে।

"তুমি বাৰু ঢেৰ পৰিশ্ৰম কৰাঁনে কি?" সন্দেহগ্ৰস্ত ৰতুমণিয়ে সৰ্বভুকক সুধিলে।

"নিশ্চয় কৰোঁ। আৰু পৰিশ্ৰম কৰাৰ ফলতহে মোৰ ভোকৰ পোৰণিও কমিল। পিছে—খাৱনৰ প্ৰতিযোগিতাত ভাগ লোৱাৰ এপষমান আগৰেপৰাই মই কাম-বন একো-এটাও নকৰা হওঁ। আৰু খাৱনৰ তাৰ কাৰণেহে মই সদায় প্ৰতিযোগিতাত প্ৰথমস্থান পাওঁ।"

সৰ্বভুকৰ কথা শুনি ৰতুমণিয়ে যেনিবা নতুন পোহৰ দেখা হ'ল। এই ঘটনাৰ পাছৰপৰা ৰতুমণিয়ে কাম-বন কৰি, মূৰৰ ঘাম মাটিত পেলাই, যথেষ্ট পৰিশ্ৰম কৰি, শান্তিৰে জীৱন যাপন কৰিছিল।



গাঁৱলীয়াৰ গু-মন্ত্ৰ

বদ্ৰীগাঁৱত, পাহাৰৰ নামনিত, এজন গাঁৱলীয়া মানুহ আছিল। সি আছিল অতি দুখীয়া। সি প্ৰতিদিন এখন ডিঙাত উঠি, মাছ মাৰিবলৈ, সাগৰলৈ ওলাইছিল। তাৰ ডিঙাখন আছিল তেনেই সাধাৰণ আৰু অলপ টুটা-ফুটা। আন এখন ডিঙা নিৰ্মাণ কৰাৰ কথা ভাবি উপযুক্ত কাঠ বিচাৰি সি অৰণ্যলৈ গ'ল. কিন্তু কাঠ নাপালে। এনেতে আকাশখন ক'লীয়া ডাৱৰে ঢাকি পেলালে আৰু সি ঘৰমুৱা হ'ল।

গৈ গৈ, অলপ সময়ৰ পাছত সি এই কথাটো খাটাংকৈ বুজি পোৱা হ'ল যে সি অৰণ্যৰ মাজত বাট হেৰুৱাইছে। বহুতোপৰলৈকে খোজ কাঢ়িও যেতিয়া সাগৰতীৰ বিচাৰি নাপালে, তেতিয়া সি ভেবা লাগি ইফালে-সিফালে চাবলৈ ধৰিলে। এনেতে ধাৰাসাৰ বৰষুণ নামিল। সি এজোপা গছৰ তলত থিয় হৈ থাকিল। সি ভাবি থাকিলঃ এনেহেন বৰষুণত তিতি ৰাতিছোৱা ইয়াতে ভোকে-পিয়াহে কটাব লাগিবনে? ৰাতি জংগলত থকাতকৈ পাহাৰলৈ যোৱাটোহে ভাল। এই কথা ভাবি খোজ লোৱাৰ লগে লগেই অলপমান আঁতৰত চাকিৰ পোহৰ যেন দেখা পালে সি।

চাকিৰ পোহৰ দেখি এই গাঁৱলীয়াই জীৱ ঘূৰাই পোৱা যেন হ'ল। সি এই পোহৰৰ ফালে আগুৱাই গৈ থাকিল আৰু বহুতোপৰলৈকে খোজ কঢ়াৰ অন্তত এটা পঁজাঘৰ পালেহি। দুৱাৰত টুকুৰি-উৱাত এজন বুঢ়াই দুৱাৰ খুলিলে।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

গাঁৱলীয়াই বুঢ়াক ক'লে, "মই বাট হেৰুৱাইছোঁ, দয়া কৰি আজি আপোনাৰ ঘৰত থাকিবলৈ দিয়ক, আৰু অলপ কিবা খাবলৈকো দিয়ক, ককা।"

"ঠিক আছে, থাকিবা, যাবা ক'লৈ, —ইয়াৰপৰা আট-দহ ক্ৰোশৰ ভিতৰতো কোনো ঘৰ-দুৱাৰ নাই।" বুঢ়াই ক'লে।

তাৰ পাছত বুঢ়ী পাকঘৰত সোমাল, ৰন্ধা-বঢ়া কৰিলে। খাৱন-লওনৰ পাছত গাঁৱলীয়া মানুহজনক শুবলৈ বিছনা পাৰি দিলে। সি শুলে; কিন্তু চকুত তাৰ টোপনি নাহিল। সি ভাবি থাকিলঃ এই বুঢ়া-বুঢ়ী ইমান ভয়ানক অৰণ্যৰ মাজত আছেহি কিয়? নিশ্চয় কিবা ৰহস্য আছে ইয়াত মাজত।

মাজনিশা, বুঢ়াই মেকুৰী খোজেৰে ঘৰৰ এচকুত থকা বাকচ এটাৰ ওচৰত থিয় হ'লগৈ। বুঢ়াই বাকচটো খুলি নীলবৰণীয়া কিবা এটা বস্তু উলিয়াই আনিলে। তাৰ পাছত সেই বস্তুটো মূৰত ছোৱাই ক'লে, "কাশ্মীৰ, কাশ্মীৰ!" আৰু কোৱাৰ লগে লগে বুঢ়া চকুৰ পচাৰতে অদৃশ্য হৈ পৰিল। তাৰ পাছত বুঢ়ীও তাৰৈ আহিল, নীলবৰণীয়া বস্তুটো মূৰত ছোৱাই "কাশ্মীৰ কাশ্মীৰ!" এই বুলি ক'লে, আৰু পলকতে অদৃশ্য হ'ল।

এইবোৰ কথা-কাণ্ড দেখি-শুনি গাঁৱলীয়াৰ গা ঘামেৰে লুতুৰি-পুতুৰি হ'ল। তাৰ বিস্ময়ৰ সীমা-পৰিসীমা নাছিল। বুঢ়াবুঢ়ী দুয়োকো এইদৰে অদৃশ্য হোৱা দেখি সিও বাকচটোৰ কাষ চপিল, আৰু বাকচটোৰ ভিতৰত তিনিটা নীলবৰণীয়া বস্তু থকা দেখা পাই এটা বস্তু হাতত নলৈ নোৱাৰিলে। অলপ পৰলৈ বস্তুটোলৈ চাই থকাৰ অন্তত সিও কৈ দিলে— "কাশ্মীৰ, কাশ্মীৰ।" আৰু লগে লগে সিও অদৃশ্য হৈ পৰিল। তাৰ গাৰ ওপৰেদি প্ৰবল বতাহ বলি থকা অনুভৱ কৰিলে সি। তাৰ পাছত, সি এটা বিৰাট

ৰাজপ্ৰাসাদৰ ছাদৰ ওপৰত থিয় হৈ থকা দেখা পালে নিজক। পাছ মুহূৰ্ততে সি দেখা পালে যে সেই বুঢ়া-বুঢ়ীয়ে ৰজাৰ ভোজন কক্ষত পৰি থকা খাদ্য বুটলি খাই আছে। খোৰাৰ অন্তত, অলপ খোৱাবস্তু সিহঁতে সিহঁতৰ টোপোলাত বান্ধি ল'লে। সেই ভোজনকক্ষত থকা খাদ্যৰ পাত্ৰ তথা কাঁহি-বাটীবোৰ আছিল সোণৰ। ইমানবোৰ সোণৰ পাত্ৰ দেখি গাঁৱলীয়াৰ ভয় লাগি গ'ল। বুঢ়া-বুঢ়ীয়ে সিহঁতৰ টোপোলাৰ ভিতৰত সোণৰ কাঁহি-বাটীও ভৰাই লৈছিল। সিহঁতে গাঁৱলীয়াক তাত দেখিয়েই নীলবৰণীয়া পাথৰ দুচটা হাতত লৈ, মূৰত ছোৱাই কৈ উঠিল, "বদ্ৰী পাহাৰ!" আৰু লগে লগে সিহঁত অদৃশ্য হৈ পৰিল।

বুঢ়াবুঢ়ী অদৃশ্য হৈ যোৱাত গাঁৱলীয়াই এই কথাটো বুজি পালে যে তাত তেতিয়া তাৰ বাহিৰে আন কোনো নাই, আৰু নাহিবো। সি তাত থকা ভাল ভাল খোৱাবস্তু খালে, তাৰ পাছত তাত থকা মদৰ পাত্ৰৰপৰা মদ খালে, আৰু তাৰ পাছত সি মাতাল হৈ বাগৰি পৰিল। ৰাতিপুৱা প্ৰহৰীহঁতে এই গাঁৱলীয়া মানুহজনক কটকটীয়াকৈ বান্ধি ৰজাৰ ওচৰলৈ লৈ গ'ল। মহাৰাজৰ প্ৰশ্নৰ উত্তৰত প্ৰহৰীহঁতে ক'লে, "মহাৰাজ, প্ৰতিদিন ভোজনকক্ষৰপৰা খাদ্য আৰু সোণৰ কাঁহি-বাটীবোৰ চুৰি হৈ যায়। আজি ইয়াক হাতে-লোতে ধৰিলোঁ।"

ৰজাই ক'লে, "ইমান দুঃসাহসী চোৰ এটাক লঘু দণ্ড দিলে নহ'ব। তোমালোকে ইয়াক খুটাৰ লগত কটকটীয়াকৈ বান্ধি, চাৰিওকালে খৰিকাঠ সজাই, জুই লগাই জীয়ন্তে পুৰি ম্‌ৰাগৈ, যোৱা। বছ, ইয়াৰ শাস্তি ইমানেই।"

ৰজাৰ আদেশ মতে প্ৰকাশ্য ঠাইত তাক পুৰি মাৰিবলৈ আয়োজন কৰা হ'ল। ইমান সাহিয়াল চোৰ এটাক চাবলৈ

দূৰ-দূৰণিৰপৰা মানুহ-মুনিহ ঢপলিয়াই আহিল। ইয়াক ধৰিবলৈ ৰজাই কম চেষ্টা কৰা নাছিল। দিনৰ পাছত দিন ধৰি, ৰাজপ্ৰাসাদৰ চাৰিওফালে দিনে-নিশাই প্ৰহৰীহঁতে সতৰ্ক দৃষ্টি মেলিও ইয়াক ধৰিব পৰা নাছিল। পাছত— এই চোৰ কোনো মানুহ নহয়, ভূতহে হ'ব—বুলি প্ৰজাবৰ্গই আৰু ৰজাৰ কৰ্মচাৰী তথা মন্ত্ৰী সেনাপতিহঁতেও কোৱামেলা কৰিছিল। এতিয়া চোৰ ধৰা পৰিল।

বিৰাট আৰু অতি মোটা কাঠৰ স্তম্ভত তাক কটকটীয়াকৈ বন্ধা হৈছিল। জুই লগোৱা মানুহটো—মানে জল্লাদটো আহিল। হঠাৎ গাঁৱলীয়াই বিচাৰকলৈ চাই কৰুণ কণ্ঠেৰে ক'লে, "মাই-বাপ হুজুৰ মোৰ এটা আৰ্জি (আবেদন) আছে। মোৰ সেই নীলা পাথৰচটা এবাৰ মোৰ হাতত দিবলৈ আদেশ কৰা হওক। এই পাথৰটা মোৰ বৰ মৰমৰ। মোৰ লগে লগে সক নীলা পাথৰচটাকো পুৰি পেলোৱা হওক, হুজুৰ।"

বিচাৰকে গাঁৱলীয়াৰ আবেদন মঞ্জুৰ কৰিলে। নীলবৰণীয়া পাথৰচটা হাতত পাই, ভক্তিৰে মূৰত ছোৱাই গাঁৱলীয়াই কৈ দিলে, "বদ্ৰী পাহাৰ, বদ্ৰী পাহাৰ!" আৰু পাছ মুহূৰ্ততে সি অদৃশ্য হৈ পৰিল। আৰু তাৰ লগে লগে কাঠৰ স্তম্ভটোও অদৃশ্য হ'ল।

তাৰ পাছত, বদ্ৰী পাহাৰৰ নামনিত সি এজন বাটকুৰাক দেখা পাই তাৰ বান্ধোন খুলি দিবলৈ ক'লে। বাটকুৰাই সুধিলে, "ইমান ধুনীয়া কাঠ তুমি ক'ৰপৰা পালাহে? বৰ ভাল কাঠ দেখিছোঁ।"

বাটকুৰাৰ প্ৰশ্নৰ উত্তৰত গাঁৱলীয়াই ক'লে, "এই কাঠ কাশ্মীৰৰ মহাৰজাই মোক উপহাৰ হিচাপে দিলে এই কাঠেৰে মই ডিঙা এখন বনাম।" এই বুলি কৈ গাঁৱলীয়াই ৰংমনে গাঁওমুৱা হ'ল।

ছেও

হালোৱা ৰাজনাৰায়ণ কিবা কামত নগৰলৈ গৈছিল। নগৰৰপৰা উভতি আহোঁতে এখন গাৰ চাদৰ বিক্ৰি কৰাৰ দোকানৰ আগত ৰৈ দিলে সি। দোকানীয়ে ৰাজনাৰায়ণক দোকানত আদৰি নি এখন চাদৰ দেখুৱাই ক'লে, "আপুনি কিনিবও পাৰে, নিকিনিলেও হ'ব। কিন্তু আমাৰ কৰ্তব্য আমি কৰিমেই। এই চাদৰখন দেখাত অপূৰ্ব। কিন্তু দাম ইমানেই কম, যে শুনি আপুনিও অবাক মানিব। গাত উৰি চাওকেইচোন—।" এই বুলি কৈয়েই দোকানীয়ে চাদৰখন ৰাজনাৰায়ণৰ গাত মেৰিয়াই দিলে।

"বাহ্ ! কেনে বঢ়িয়া শুৱাইছে আপোনাক চাদৰখনে! আপোনাক ইয়াৰ জমিদাৰ যেন লাগিছে। ওহোঁ ওহোঁ চাওঁ—, সোলোকাইছে কিয়? গাত লৈছেই যেতিয়া, তেতিয়া কমেও অলপ পাইচাৰি কৰিকেইচোন।" দোকানীয়ে ক'লে ৰাজনাৰায়ণক।

ৰাজনাৰায়ণ কেনেবা যেন হৈ পৰিল। সি দোকানীৰ কথা বা আদেশ মতে বাটত অলপ খোজ কাঢ়ি, পুনৰ দোকানত সোমোৱাৰ লগে লগেই দোকানীয়ে তাক চিনি!নোপোৱাৰ ভাও জুৰি কৈ উঠিল, "আহক, আহক—জমিদাৰ ডাঙৰীয়া! আজি আমাৰ কি যে সৌভাগ্য! ইমান দিনৰ অন্ততো আমাক মনত পৰিল তেও!"

ৰাজনাৰায়ণে কিবা ক'বলৈ মুখ মেলিও ক'ব নোৱাৰিলে। দোকানীৰ ব্যৱহাৰত মুগ্ধ হৈ হালোৱা ৰাজনাৰায়ণে গাৰ চাদৰখন বাধ্যত পৰি কিনি লৈহে ঘৰমুৱা হ'ল।

হালোৱাৰ হিচাপ

প্ৰাচীনকালত কোনোবা দেশ এখনত এগৰাকী ছুলতান আছিল। তেওঁ চিকাৰলৈ ওলাবলৈ ভাল পাইছিল। এবাৰ চিকাৰলৈ ওলাই বাটত এজন হালোৱাক লগ পালে। হালোৱাটোৰ লগত আছিল এটা গাধ, আৰু গাধটোৰ পিঠিৰ ওপৰত আছিল এটা টোপোলা।

ছুলতানে তেওঁৰ ঘোঁৰাটোক ৰখাই হালোৱাটোক সুধিলে, "ভাই তোমাৰ টোপোলাটোত কী আছেনো?"

"ছাহাব, মোৰ এই টোপোলাটোৰ ভিতৰত তিঁয়হ আছে। এইবাৰ বতৰৰ আগতেই কিয় যে তিঁয়হ উপজিল, ক'ব নোৱাৰোঁ। সেয়েহে, এই আবতৰীয়া তিঁয়হবোৰ লৈ মই ছুলতানৰ ওচৰলৈ গৈ আছোঁ। শুনিছোঁ আমাৰ ছুলতান এগৰাকী দানবীৰ। তেওঁৰপৰা এই তিঁয়হৰ বাবে ভাল দাম পাম বুলি মোৰ আশা।"

হালোৱাটোৱে ছুলতানক চিনি নাপাই ছুলতানকে কথাবোৰ ক'লে।

"ছুলতান কিমান দাম দিব বুলি ভাবিছানো?" ছুলতানে সুধিলে।

"কমেও এহেজাৰ সোণৰ দিনাৰ (মোহৰ) দিব বুলি মোৰ ধাৰণা।"

"এহেজাৰ দিনাৰ বৰ বেছি দান বুলি যদি ছুলতানে কয়—কি কৰিবা?"

"ছুলতানে কেনেকৈ ক'লে পাঁচশ দিনাৰ খুজিম।" হালোৱাই ক'লে।

"পাঁচশ দিনাৰ যদি নিদিয়ে?"

"তেনে'হলে তিনিশ দিবলৈ ক'ম।"

"তথাপি যদি মান্তি নহয় তেওঁ?"

"তেনেহ'লে—এশ।"

'আৰবদেশৰ দাস্তাঁ (সাধু)'

"যদি এশ দিনাৰো বেছি বুলি কয় ?"

"পঞ্চাছ খুজিম।"

"তাকো যদি বেছি বুলি কয়।"

"ত্ৰিছটা দিনাৰ খুজিম।"

"তথাপি যদি অধিক বুলি কয় ?"

"ত্ৰিছটা দিনাৰো যদি ছুলতানে নিদিয়ে, তেনেহ'লে মোৰ গাধটোক তেওঁৰ সিংহাসনৰ ফালে ঠেলা মাৰি আগুৱাই দি, মই পোনে পোনেই ঘৰলৈ গুচি যাম।" হালোৱাই ক'লে।

হালোৱাৰ কথাত ছুলতানে হোহোৱাই হাঁহি মাৰি উঠি ঘোঁৰা চলাই গুচি গ'ল। তেওঁ পোনেই ৰাজধানীলৈ গ'ল, আৰু প্ৰাসাদৰ দুৱৰীক ক'লে, "এটা গাধৰে সৈতে এজন হালোৱাই মোক বিচাৰি আহে যদি—তাক বাধা নিদিবা।"

অলপ সময়ৰ পাছত হালোৱাটোৱে গাধটোৰে সৈতে প্ৰাসাদলৈ আহিল আৰু সি ছুলতানৰ ওচৰলৈ যাব বুলি কোৱাত প্ৰহৰীয়ে তাক বাধা নিদিলে। ইতিমধ্যে ছুলতানে তেওঁৰ সাজ-পাৰ সলাইছিল। হালোৱাই ছুলতানক চিনি নাপালে।

হালোৱাটোৰ দোধোৰ-মোৰলৈ লক্ষ্য কৰি ছুলতানে ক'লে, "এই টোপোলাটোৰ ভিতৰত কিবা লৈ আহিছানেকি ?"

"হুজুৰ, এই টোপোলাটোৰ ভিতৰত মোৰ খেতিত ওপজা আবতৰীয়া তিঁয়হ আছে যদি দয়া কৰি আপুনি লয়—"



"বৰ ভাল কথা। মই দয়া কৰিবলৈ ৰাজী। পিছে—এইবিলাকৰ দামনো কিমান?" বহু কষ্টেৰে হাঁহি ৰখাই ছুলতানে সুধিলে।

"হুজুৰ, মই এহেজাৰ সোণৰ দিনাৰ পাম বুলি আশা কৰিছোঁ আপোনাৰপৰা।"

"এহেজাৰ দিনাৰ! বৰ বেছি।"

"তেনেহ'লে পাঁচশ দিয়ক।"

"পাঁচ—শ! ওহোঁ, নহ'ব।"

"তেনেহ'লি—তিনিশকে দিয়ক।"

"নোৱাৰিমহে, বৰ মহঙা হ'ব।"

"এশ?"

"নহ'ব। পঞ্চাছো দিব নোৱাৰিম।"

"বছ, সিমানো নিদিয়ে যদি—ত্ৰিছটা দিনাৰকে দিয়ক, গুচি যাওঁ।"

"ত্ৰিছ দিনাৰো বৰ বেছি হৈছেহে!"

"বাটত সেই হাৰামজাদাক লগ পায়েই বুজি পাইছিলোঁ যে আজি মোৰ নছীবত (কপালত) একো ফল নধৰে। যি কি নহওক—ত্ৰিছটা দিনাৰো নাপালে নেবেচোঁ মই।" হালোৱাই কৈ দিলে

ছুলতানে হাঁহিলে মাথোন, একো নক'লে। তেতিয়াহে হালোৱাই গমিলে যে—বাটত দেখাদেখি হোৱা মানুহজন আচলতে এওঁেই আছিল!

"হুজুৰ, কমেও ত্ৰিছটা দিনাৰ নিদিয়ে যদি—তেনেহ'লে গাধটোক ইয়ালৈ লৈ আহিম।"হালোৱাই হতাশ ভাৱেৰে ক'লে।

ছুলতানে হোহোৱাই হাঁহি উঠি খাজাঞ্চীক (ৰজাৰ ধনৰখীয়া) মতাই অনালে আৰু কলে, "এই মানুহজনক প্ৰথমে এহেজাৰ সোণৰ দিনাৰ, তাৰপাছত পাঁচশ, তাৰ পাছতো তিনিশ, এশ, পঞ্চাছ আৰু ত্ৰিছ দিনাৰ দিবা।"

এইদৰে এহেজাৰ নশ সোণৰ দিনাৰ পাই হালোৱাৰ মুখৰ মাত হৰিল; সি ছুলতানলৈ বাৰে বাৰে আদাৰ জনাই ঘৰমুৱা হ'ল।

শিৱ-পুৰাণ

১০

পাৰ্বতীৰ পৰামৰ্শত গণেশ বিষ্ণুৰ এচৰলৈ গ'ল। বিষ্ণুক সকলো কথা বিবৰি কোৱাৰ অন্তত গণেশে মন্তব্য কৰিলে, "এনে অৱস্থাত মই কেনেকৈ ভূপ্ৰদক্ষিণ প্ৰতিযোগিতাত বিজয়ী হ'ম? কাৰ্তিক ইতিমধ্যেই ৰাওনা হৈ গ'ল।"

বিষ্ণুৱে গণেশক ক'লে, "চোৱাঁ গণেশ, তোমাৰ দুশ্চিন্তাৰ কাৰণ নাই। তুমি পাঁচ লক্ষবাৰ শিৱপঞ্চাক্ষৰী মন্ত্ৰ জপ কৰি পাৰ্বতী-পৰমেশ্বৰক তিনিবাৰৰ প্ৰদক্ষিণ কৰিলেই ভূপ্ৰদক্ষিণ আৰু সকলো তীৰ্থ-যাত্ৰাৰ ফললাভ কৰিব পাৰিবা।"

বিষ্ণুৰ কথাত গণেশে পাঁচলক্ষবাৰ একমনে শিৱপঞ্চাক্ষৰী মন্ত্ৰ জপ কৰিলে।

ইপিনে কাৰ্তিকে ময়ূৰৰ পিঠিত উঠি ভূপ্ৰদক্ষিণ আৰু তীৰ্থপৰিক্ৰমালৈ ওলাল।

কাৰ্তিকে প্ৰথমখন তীৰ্থক্ষেত্ৰলৈ গৈ তাত তিমানতে গণেশে স্নানাদি সমাপন কৰি আগবাঢ়ি যোৱা দেখা পালে। গণেশে আগুৱাই যোৱা বাটৰ ওপৰত এন্দুৰৰ ঠেঙৰ চিনো দেখা পালে কাৰ্তিকে।

ঃ গণেশে ইমান কাণ্ড কৰি গুচি গ'ল! ওহোঁ, ইয়াত আৰু বৈ নাথাকোঁ। আন তীৰ্থক্ষেত্ৰত স্নান সমাপন কৰিমগৈ। —এই কথা ভাবি কাৰ্তিকে ততাতৈয়াকৈ আন এখন তীৰ্থক্ষেত্ৰলৈ গ'ল। তাতো সেই একেই বিস্ময়! গণেশে এই তীৰ্থো পৰিক্ৰমা কৰি, স্নান-দান-ধ্যান সমাপন

কৰি হেনো গুচি গ'ল!

এইদৰে, ভালেমান তীৰ্থক্ষেত্ৰলৈ গৈ কাৰ্তিকৰ একেই অভিজ্ঞতা হ'ল। গণেশক ধৰিবলৈ গৈ, এখন তীৰ্থক্ষেত্ৰতো কাৰ্তিকে স্নান কৰিবলৈ সময়েই নাপালে। তেওঁ অতি দ্ৰুততাৰে ভূপ্ৰদক্ষিণ কৰি পুনৰ কৈলাসলৈ উভতি গ'ল।

কাৰ্তিকে ক্ষুব্ধভাৱে শিৱ-পাৰ্বতীক ক'লেহি, "গণাধিপতি হোৱাৰ যোগ্যতা মোৰ নাই। এই পদ গণেশক প্ৰদান কৰা হওক। মই গণেশৰ সৈতে প্ৰতি-যোগিতাত পৰাজিত হ'লোঁ। এখন তীৰ্থক্ষেতো মই স্নান কৰিব পৰা নাই।"

বহুতেই কাৰ্তিকক সুধিলে, "নিজক অযোগ্য বুলি ভবাৰ হেতু কি?"

"ক'লোঁৱেই নহয়, এখন তীৰ্থক্ষেত্ৰতো মই স্নান কৰিব পৰা নাই। য'লৈকে গৈছোঁ, গণেশে মোৰ আগতেই তালৈ গৈ স্নান-দান-ধ্যান সমাপন কৰি গুচি গৈছে মোতকৈ বহু আগতে। তেওঁক পৰাজিত কৰিবৰ চেষ্টাৰে এখন তীৰ্থতো মই আনকি স্নানো কৰিব নোৱাৰিলোঁ। প্ৰতিখন তীৰ্থক্ষেত্ৰৰ যাত্ৰীসৰে হিয়া উজাৰি-গণেশৰ শলাগ লৈছে তেওঁৰ দান-ধ্যানৰ বাবে। মোতকৈ গণেশৰ ক্ষমতা যে অনেক বেছি, তাৰ প্ৰমাণ মই নিজেই পাইছোঁ।" কাৰ্তিকে লুকঢাক নকৰাকৈ ক'লে, কথাবোৰ।

তাত উপস্থিত থকা প্ৰত্যেকেই শিৱপঞ্চাক্ষৰীৰ মন্ত্ৰৰ প্ৰভাৱ অনুধাৱন কৰি গণেশকে ৰুদ্ৰগণৰ অধিপতি কৰাৰ বিষয়ে অভিমত প্ৰদান কৰিলে। আৰু তাৰ পাছত গণেশক অভিষিক্ত কৰাৰ আয়োজন কৰা হ'ল।

ৰুদ্ৰগণ গ'ল নৈৰ আৰু সাতো সাগৰৰ পানী আনিবলৈ। ৰুদ্ৰগণ উভতি অহাৰ পাছত ভূত, গৰুড়, গন্ধৰ্ব, কিন্নৰ, নাগ আৰু ভূলোকবাসীকো নিমন্ত্ৰণ কৰা হ'ল। বৃহস্পতিয়ে দিন-ক্ষণ স্থিৰ কৰিলে।





নিৰ্ধাৰিত লগ্নত গণেশক নৰৰত্নখচিত সিংহাসনত উপবেশন কৰোৱা হ'ব। গণেশপত্নী জয়লক্ষ্মীক গণেশৰ কাষতে বহুউৱা হ'ল। গণেশক গণাধিপতিৰ বাব দিয়াৰ অন্তত তেওঁৰ ভায়েকসকলকো বিভিন্ন পদত মকৰল কৰা হ'ল। শিৱ-পাৰ্বতীয়ে গণেশক আশীৰ্বাদ কৰি ক'লে, "তুমি তিনিওলোক ভালকৈ পালন কৰি থাকঁ। যিসকলে তোমাক পূজা কৰিবা তোমাৰ নাম লৈ তপস্যা কৰি যিসকলে তোমাৰ গুণানুকীৰ্তন কৰিব, সিসকলৰ কাৰ্য্যসিদ্ধি হোৱালৈ তুমি দৃষ্টি দিবা।'

সিপিনে—তাৰকাসুৰৰ মৃত্যুৰ অন্তত তেওঁৰ পত্নীয়ে তিনিও পুত্ৰক লৈ পাতাললৈ গুচি গ'ল। তেওঁৰ পুত্ৰ তিনিজনৰ নাম —তাৰকাক্ষ, কমলাক্ষ, আৰু বিদ্যুতন্মালী। শুক্ৰাচাৰ্য্যৰ ওচৰত অধ্যয়ন কৰিবলৈ এওঁলোক পাতাললৈ গ'ল আৰু তাত অধ্যয়নৰ লগে লগে ডাঙৰ হৈ থাকিল।

ডাঙৰ হোৱাৰ পাছতহে তিনিও সিহঁতৰ পিতৃ তাৰকাসুৰৰ মৃত্যুৰ কথা গম পালে। তাৰ পাছত সিহঁত তিনিও মেৰুপৰ্বতৰ ওপৰত উঠি ব্ৰহ্মাক সুঁৱৰি দীৰ্ঘ তপস্যাত বহিল।

বহুকাল ধৰি তপস্যা কৰাৰ অন্তত ব্ৰহ্মাই তুষ্ট হৈ তাৰকাসুৰৰ তিনিও পুত্ৰৰ আগত উপস্থিত হ'ল আৰু সুধিলে, "কি বৰ লাগে কোৱাঁ।"

"প্ৰভু, ৰথবিহীন ৰথত উঠি, কাঁড়বিহীন কাঁড়েৰে, ধনুবিহীন ধনুৰ যোগেদিহে আমাৰ মৃত্যু হয় যেন, আন কোনো উপায়েৰে কোনেও আমাক বধ কৰিব নোৱাৰে যেন—এই বৰ আমাক লাগে। তদুপৰি, সকলো জ্ঞান, বল, আৰু লগতে গভীৰ শিৱ-ভক্তি লাগে। আৰু লাগে—সোণ-ৰূপ আৰু লোৰে নিৰ্মিত তিনিটা সুৰম্য অট্টালিকা।" তিনিওজনে ক'লে।

সিহঁতৰ প্ৰাৰ্থিত বৰ দান কৰি আৰু স্বয়ং বিশ্বকৰ্মাক অট্টালিকা নিৰ্মাণৰ দায়িত্ব প্ৰদান কৰি ব্ৰহ্মা তাৰপৰা অদৃশ্য



হ'ল। বিশ্বকৰ্মাই সোণ,, ৰূপ আৰু লো-ৰে তিনিটা অট্টালিকা নিৰ্মাণ কৰি দিলে। তিনিওটা অট্টালিকাক একেলগে ত্ৰিপুৰ বুলি কোৱা হৈছিল। এই অট্টালিকা তিনিটা মাটিত নাছিল, শূন্যতহে অৱস্থিত আছিল। প্ৰতিটো অট্টালিকাৰ ভিতৰত ভালেমান ঘৰ, আনকি গছ-বন, সৰোবৰ, খেতিমাটি আদি লাগতিয়াল সকলো বস্তু আছিল।

পৰৱৰ্তীকালত এই তিনিটা অট্টালিকা অৰ্থাৎ ত্ৰিপুৰ আনকি ইন্দ্ৰয়ো জয় কৰিব পৰা নাছিল। এই ত্ৰিপুৰত বসবাস কৰা হেতুকে তাৰকাসুৰৰ পুত্ৰ তিনিজনৰ নাম হ'ল ত্ৰিপুৰাসুৰগণ। ত্ৰিপুৰাসুৰগণ ক্ৰমাত ভয়ংকৰ হৈ উঠিল, আৰু একোপধ্যে সিহঁতক দমন কৰিব নোৱাৰি ইন্দ্ৰৰ লগ লাগি দেৱতাসকল ব্ৰহ্মাৰ কাষ চাপিল। তেওঁলোকে কাতৰ কণ্ঠেৰে ব্ৰহ্মাক ক'লে, "ত্ৰিপুৰাসুৰগণৰ অত্যাচাৰত আমি অতিষ্ঠ হৈ উঠিছোঁ। সিহঁতৰ ভাসমান অট্টালিকা-বোৰে আমাৰ ঘৰ-দুৱাৰ চূৰ্ণ কৰি গুচি যায়। আমাক সিহঁতৰ অত্যাচাৰৰপৰা ৰক্ষা কৰক, তাৰক বধ কৰক।"

"মই সিহঁতক বৰ প্ৰাদন কৰিছোঁ। তাৰ ফলত, সিহঁতক বধ কৰা দূৰৰে কথা, সিহঁতৰ অনিষ্ট কৰাটোও প্ৰায় অসম্ভৱ। পিছে—পৰমেশ্বৰ শিৱে নিশ্চয় কিবা এটা উপায় দিব পাৰিব. ব'লা, তালৈকে যাওঁ।" এই বুলি কৈ, দেৱতাসকলক লগত লৈ ব্ৰহ্মা শিৱৰ কাষ চাপিল।

শিৱই তেওঁলোকৰ বক্তব্য শুনি ক'লে, "মই ত্ৰিপুৰাসুৰগণক বধ নকৰোঁ। আৱশ্যক হ'লে সিহঁতক মই মোৰ অৰ্দ্ধশক্তি দিবলৈকো সাজু আছোঁ, তাৰে মোকেই তোমালোকে বধ কৰিব পাৰিবা।"

তেতিয়া ব্ৰহ্মাই ক'লে যে তেওঁ সিহঁতক কী বৰ দিছিল। ব্ৰহ্মাই শিৱক ক'লে, "হে শিৱ! আৱশ্যক হ'লে আমাৰ শক্তিৰে তুমি সিহঁতক বধ কৰাঁ।"

ব্ৰহ্মাৰ কথা শুনি শিৱ মনে থাকিল। ত্ৰিপুৰাসুৰ নিধনৰ দায়িত্ব তেওঁ ল'বলগীয়া হ'ল। এতিয়া ৰথবিহীন ৰথ, কাঁড়বিহীন কাঁড় ধনুবিহীন ধনুৰ আৱশ্যক। সেয়েহে —শিৱেই ভূমিক ৰথ হিচাপে, বেদসমূহক ৰথৰ অশ্ব, আৰু সূৰ্য্য-চন্দ্ৰক ৰথৰ চকা হিচাপে ল'লে। মেৰুক কাঁড় হিচাপে আৰু আদিশেষক ধনু হিচাপে ব্যৱহাৰ কৰি বিষ্ণুমূৰ্তিক নাৰায়ণাস্ত্ৰৰূপে প্ৰয়োগ কৰি ত্ৰিপুৰাসুৰকগণক বধ কৰিলে। সিহঁত নিহত হোৱাৰ লগে লগে সিহঁতৰ শূন্যস্থিত অট্টালিকাসমূহ পুৰি ভস্ম হৈ গ'ল।

ত্ৰিপুৰাসুৰগণৰ মৃত্যুৰ পাছত জলন্ধৰ নামৰ আন এগৰাকী ৰাক্ষসে তিনিও লোকতে অত্যাচাৰ কৰিবলৈ ধৰিলে। জলন্ধৰৰ অন্য নাম আছিল সুকৰ। তেওঁ আছিল হিৰণ্যকশিপুৰ দশম পুত্ৰ অগ্নি-জিহ্বৰ পুত্ৰ। তেৱোঁ কঠোৰ তপস্যা কৰি ব্ৰহ্মাৰপৰা বৰ লাভ কৰিছিল। তেওঁৰ প্ৰাপ্ত বৰ অনুসাৰে তেওঁক মানৱ, নাগ, ৰাক্ষস আনকি দেৱতাসকলেও বধ কৰিব নোৱাৰিব। এইবোৰ বৰ লাভ কৰাৰ অন্তত জলন্ধৰে ইন্দ্ৰক স্বৰ্গৰাজ্যৰপৰা বিতাড়িত কৰিলে।

জলন্ধৰৰ অত্যাচাৰ ইমানেই বাঢ়িল যে শিৱ আৰু বিষ্ণুৱেও যথাক্ৰমে কৈলাস আৰু বৈকুণ্ঠ এৰি মানস সৰোবৰত লুকাই থাকিলগৈ। তাত লুকাই থকা অৱস্থাতে তেওঁলোকে ব্ৰহ্মাক সুঁৱৰি তপস্যা কৰিবলৈ ধৰিলে। ব্ৰহ্মা তেওঁলোকৰ আগত উপস্থিত হৈ বিষ্ণুৰ হাতত চক্ৰ আৰু শিৱৰ হাতত ত্ৰিশূল দি ক'লে, "তোমালোকে ইজনৰ অস্ত্ৰ সিজনে ব্যৱহাৰ কৰা যদি— জলন্ধৰক বধ কৰিব পাৰিবা।" এই বুলি কৈ, ব্ৰহ্মা তাৰপৰা অদৃশ্য হ'ল।

তাৰ পাছত শিৱে বিষ্ণুচক্ৰ আৰু বিষ্ণুৱে ত্ৰিশূল লৈ, জলন্ধৰক আক্ৰমণ কৰি বধ কৰিবলৈ ছেগ চাই থাকিল।

ভূতুনীৰ কাণ্ড

বাধ্যত পৰি বাবুলে নমিতাৰ বিয়াত যোগ দিবলৈ ৰাতিৰ পৰতে ৰাওনা হ'ল। অৰণ্যে নমিতাহঁতৰ ঘৰ—মানে বাবুলৰ মোমায়েকৰ ঘৰ— বৰ বেছি দুঘণ্টাৰ বাট, আৰু আজি জোনাক নিশা, জোনৰ পোহৰে চাৰিওদিশ দিনহেন কৰি তুলিছে। বাবুলে খৰকৈ দীঘল দীঘলকৈ খোজ পেলাই গৈ থাকিল।

খাল এটা পাৰ হৈ তালগছৰ তল পাওঁতেই বাবুলৰ সমুখত তালগছৰপৰা দুজনী ভূতুনীয়ে নামি আহি থিয় দিলে।

বাবুলে ভয়তে ঠিৰ ঠিৰকৈ কঁপি থকা দেখি এজনী ভূতনীয়ে ক'লে, "হিঃ হিঃ— তোমাৰ চেহেৰাপাতি দেখিলে তোমাক সাহিয়াল বীৰপুৰুষ মটাটো যেনেহে লাগে। কিন্তু তুমি ইমানকৈ কঁপি আছানো কিয়? ক'লৈ যাবলৈ ওলাইছিলানো?"

"ম্—ম্—মমমম্মই—" বাবুলে থোকা-থুকি মাতেৰে ক'লে, "ম্ই বিয়া খাবলৈ ওলাইছিলোঁ, অনিতাৰ বিয়া।"

ইজনী ভূতুনীয়ে সিজনীলৈ চালে আৰু তাৰ পাছত এজনীয়ে বাবুলক ক'লে, "এই বিয়া খাবলৈ আমিও যাবলৈ সাজু আছোঁ তোমাৰ লগত।"

সিহঁতৰ কথা শুনি বাবুলৰ দেহা চেঁচা পৰিল। সি ভূতুনী দুজনীক ক'লে, "চোৱা, তোমালোক মোৰ লগত তালৈ যোৱাঁ যদি—আৰু মোৰ মামাই যদি কেনোবাকৈ গম পায়—তে-তে-তেনেহ'লে মোৰ পিঠিৰ খাল খুলিহে এৰিব।"

"কিন্তু আমাক লৈ নোযোৱা যদি আমিও তোমাৰ পিঠিৰ খাল খুলিম।

নীলমণি শৰ্মা

এতিয়া—তোমাক কোনটো লাগে, কোৱাঁ।" ভূতুনী দুজনীয়ে ক'লে।

বাবুলে অলপ ভাবি লৈ ক'লে, "তোমালোকক এই সুবিধা নিদিওঁ মই। পিঠিৰ খাল খোলে যদি মামায়েই খোলক। ঠিক আছে, ব'লা তেন্তে।"

তাৰ পাছত বাবুল পুনৰ ৰাওণা হ'ল। কিছুদূৰলৈ গৈ, পিছফাললৈ ঘূৰি চালে বাবুলে। নাই, ভূতুনী দুজনী নাই। কোনো নাই, একো নাই।

কিন্তু মোমায়েকৰ ঘৰ পোৱাৰ লগে লগে ঘৰৰ দুৱাৰ মুখত দেখা পালে সেই ভূতুনী দুজনীক। দুজনীয়েই আ-অলংকাৰ পিন্ধি সাজি-কাচি একেবাৰে অপেশ্বৰী হেন হৈ তাত থিয় হৈ আছে! সিহঁতক দেখিয়েই বাবুলে পুনৰ কঁপিবলৈ ধৰিলে।

মোমায়েকে বাবুলক দুৱাৰমুখত পাই সুধিলে, "তইনো ইমানকৈ কঁপিছ কেলেইঅ'? কি হ'ল তোৰ? ঠিক আছে, সৌ কোঠাটোত শুই থাকগৈ। অলপ পাছত বেজক মতাই অনাম বাৰু।"

বাবুলে একো মাত নামাতি চুপচাপ শুলেগৈ। আৰু ইপিনে ভূতুনী দুজনীয়ে খেল আৰম্ভ কৰিলে। তিমানতে দৰা-ঘৰীয়াসকল আহি পাই ছিলেই। কইনাক যিটো কোঠাত বহুৱাই খোৱা হৈছিল, দৰাৰ লগৰ বন্ধু-বান্ধৱসকলক ঠিক তাৰ কাষৰীয়া কোঠাটোত বহিবলৈ বন্দৱস্ত কৰি দিয়া হৈছিল।

ভূতুনী দুজনীৰ মাজত এজনী তাত সোমালগৈ দৰাৰ মাকৰ ৰূপত। দৰাৰ মাকক দেখি কইনাৰ মাকে সাগ্ৰহৰে কৈ উঠিল, "আহক আহক—মোক মাতি নপঠালে কিয়, কষ্ট কৰি আহিল আৰু'—"

"হেঁ—ঃ!" দৰাৰ মাকৰূপী ভূতুনীয়ে কৈ উঠিল, "আহিলোঁ কী হ'ল? ই-ও মোৰেই ঘঁৰ নহয় জানো? আ-অলংকাৰ, দৈ-মিঠাইবোৰ চাবলৈ আহিলোঁ আৰু।" ভূতুনীয়ে খোনা মাতেৰে ক'লে।

কইনাৰ মাকে গহনাখিনি দেখুৱাৰ পাছত মিঠাই আদি য'ত থৈ দিয়া হৈছিল, তালৈ লৈ গ'ল দৰাৰ মাকক।

“এঁহ ৰাঁম! ইয়াকো এৰাঁগাখীৰ—মানে—দৈ বোলেনে?” দৈৰ পাত্ৰ এটাৰপৰা হাতেৰে দৈ আনি গোন্ধ শুঙি ক'লে ভূতুনীয়ে, “চে চেঃ! ইমান মিঠা দৈ খাব পাৰিনে! এতিয়ালৈকো টেঙা গোন্ধেই ওলোৱা নাই দেখোন! আমি দহ-বাৰদিনলৈ ঘৰত ৰাখি, ভালকৈ টেঙা কৰিহে দৈ খাওঁ। দৈৰপৰা বিকট টেঙাকৈ নোগোন্ধালেনো খোৱাত মজা কি?”

দৰাৰ.মাকৰ কথা শুনি কইনাৰ মাকৰ বতিয়াওঁ বতিয়াওঁ যেন লাগিল।

ভূতুনীয়ে এটা মিঠাই হাতত লৈ ক'লে, “চেঁঃ, ইয়াকো মিঠাই বোলেনে? আজিয়েই বনালে বোধকৰোঁ। পোন্ধৰ-বিছদিনৰ আগতে এই মিঠাই খোৱাৰ যোগ্য নহ'ব।” অলপমান ৰৈ, তাই পুনৰ ক'লে, “মোঁৰ ঘঁৰত ভালেকেইজনী-মান বোৱাৰী। আটাইকেইজনীয়েই খোৱাবস্তু দহ-পোন্ধৰ দিনকৈ পেলাই থয়, আৰু তাৰ পাছতহে খায়। আপোনাৰ ছোৱালীৰ কাৰণে বেলেগে বন্দৰস্ত কৰিব নোৱাৰিম নহয়?”

এই কথা শুনি অনিতাৰ মূৰটো আচন্দ্ৰাই কৰি উঠিল। তাই উঠি খিৰিকীৰ কাষলৈ গ'ল, আৰু সঁচাকৈয়েই



বঁতিয়ালে। তাইৰ পিছে পিছে মাকো গ'লগৈ। আৰু এই ছেগতে ভূতুনীয়ে তাইৰ ৰূপ সলাই পেলালে।

অনিতাৰ মূৰত পানী ঢালি তাইক মাকে বিছনাত শোৱাই থ'লে। অনিতাই তাইৰ মাকক ক'লে, "মা, এই বিয়া মই নকৰাওঁ। তুমি নিজেই সকলো কথা শুনিলা। য'ত খোৱাবস্তু দহ-পোন্ধৰ দিনলৈ বাহি কৰি খোৱা হয়, তাত মোক বিয়া দিয়াতকৈ কাটি টুকুৰা কৰি নৈৰ পানীত উটুৱাই দিয়া।"

অনিতাৰ মাকে বিপদ গমি গিৰিয়েকক গৰু বিচৰাদি বিচাৰিবলৈ ধৰিলে।

দ্বিতীয় ভূতুনীজনী সোমালগৈ দৰা বহি থকা কোঠাটোত। তেতিয়া দৰাৰ বাহিৰে আন সকলোটিয়ে শুই নিঃপালি দিছিল। বিয়াৰ লগন বোৱাৰীপুৱাতেহে। এই দ্বিতীয় ভূতুনীজনীয়ে অনিতাৰ ৰূপ ধৰি সোমাইছিলগৈ তাত।

দৰাও পূৰাপূৰিকৈ সাৰে নাছিল, চিলমিলাইছিল। হঠাৎ চকু মেলি কইনাক তাত থিয় হৈ থকা দেখি ক'লে, "অনিতা! তুমিনো ইয়ালৈ আহিলা কিয়? মানুহে নাহাঁহিবনে? যোৱা ইয়াৰপৰা।"

"হাঁহক। মোৰ গিৰিয়েকক মহে কামুৰিব, আৰু মই বিচনীৰে মহ নেখেদি হাত সাৰটি বহি থাকিম— এয়া হ'ব নোৱাৰে।" অনিতাৰূপী ভূতুনীয়ে ক'লে। তাই আকৌ ক'লে, "আমাৰ ইয়াৰ মহ মানে একো একোটা বাঘ যেনহে!" এই বুলি কৈ বিচনীৰে বিচি থাকোঁতে মাজে মাজে বিচনীৰে দৰাৰ পিঠিত, মূৰত মৰিয়াবলৈ ধৰিলে।

দৰাই আমনি পাই অনিতাক বিচনীৰে বিচিবলৈ মানা কৰিলে। কিন্তু ভূতুনীয়ে দৰাক বেছিকৈ পিটন দিবলৈ ধৰিলে। দৰাই তেতিয়া চিঞৰি চকু পকাই কৈ উঠিল, "অনিতা, তুমি ইয়াৰপৰা যোৱাগৈ-চোন—তুৰন্তে গুচি যোৱা কৈছোঁ।"

“এহ্! মহ খেদিবলৈ বিচনীখন গায়ে-মূৰে আলফুলকৈ লগাতেই ইমান খং। বিয়া হৈ যোৱাৰ পাছত মই দেখোন কথাই কথাই তোমাক লাঠিৰে পিটিম। তেতিয়া কি কৰিবা?” অনিতাই হাঁহি মাৰি ক'লে কথাখিনি।

“বিয়াৰ পাছত লাঠিৰে পিটিবা? কি কোৱাঁহে!” দৰাই সুধিলে।

“তোমাৰ ৰন্ধা-বঢ়া বেয়া হয় যদি লাঠিৰে নোকোবাই পূজা কৰিমনে তোমাক?” ভূতুনীয়ে ক'লে।

“কী! ৰান্ধিম—মইহে নেকি!” দৰাই অবাক হৈ সুধিলে, “তেন্তে—তুমি—”

“শুনা কথা! ৰান্ধিব লাগিব, বাচন-বৰ্তন মলিব লাগিব, কাপোৰ-কানি চাফা কৰিব লাগিব, মোৰ হাত-ভৰি-মূৰ পিটিকি দিব লাগিব। ভৰি-হাত পিটিকি নিদিয়ালৈকে মোৰ টোপনিয়েই নাহিব দেখোন। আৰু— ”

ভূতুনীৰ কথা নৌ-শেষ হওঁতেই দৰাই একেলৰে তাৰ মাক-দেউতাকৰ ওচৰলৈ গ'ল। দৰাই তাৰ দেউতাকক দঢ়াই ক'লে, “দেউতা, মই এই বিয়া নকৰাওঁ, নকৰাওঁ এই বিয়া। তাই কয়—মইহে হেনো ৰান্ধি-বাঢ়ি তাইক খুৱাম, বাচন-বৰ্তন, কাপোৰ-কানি চাফা কৰিম, তাইৰ হাত-মূৰ-ভৰি পিটিকি দিম—নহ'লে তাই হেনো মোক লাঠিৰে পিটিব। এই বিয়া, —উস্! অসম্ভৱ, একেবাৰেই অসম্ভৱ!”

দৰাই যে এই কইনাক বিয়া কৰাবলৈ ভয় খাইছে—কথাটো তেতিয়াই সদৰি হৈ পৰিল। ইপিনে কইনা অনিতাৰ অনিচ্ছাৰ কথাও সকলোটিয়ে জানি গ'ল। এই পৰিয়ালত বিয়া সোমোৱাতকৈ তাই হেনো চিপজৰীকে ল'ব!

অৱশেষত দৰাপক্ষৰ কেইজনমান বিজ্ঞ লোক আৰু কইনাপক্ষীয় কেইজনমান স্থিৰমস্তিষ্কই পৰস্পৰৰ মাজত কোৱাকুই কৰিলে, “এয়া বাৰু পুতলাৰ খেলনে কি!

অৱস্থা যদি এয়ে—কেনেকৈনো—কিহৰ ভিত্তিত বাৰু বিয়াৰ দিন-খেণ স্থিৰ কৰা হৈছিল?” যি কি নহওক, তেওঁলোক একেলগ হৈ কইনাপক্ষীয়সকলৰ কাষ চাপিল। কইনাপক্ষীয় এজনে ক'লে, “দৰাৰ মাক হ'ল জঘন্য ধৰণৰ মহিলা। তদুপৰি—দৰাৰ পৰিয়ালত খোৰাবস্তু দহ-পোন্ধৰদিনলৈ বাহি কৰি খোৱা হয়। এইবোৰ নাভূত-নাশ্ৰুত কথা শুনি অনিতাৰ বিয়াৰ সপোন টুটিল।”

তাৰ পাছত তেওঁলোক দৰাপক্ষীয় লোকসকলৰ ওচৰলৈ গ'ল। দৰাঘৰীয়াহঁতে ক'লে, “কইনাজনী দেখোন একেবাৰে ৰাক্ষসী। বিয়াৰ পাছত হেনো তাই গিৰিয়েকক লাঠিৰে কোবাব, গিৰিয়েকেই হেনো ৰান্ধিব-বাঢ়িব, বাচন,বৰ্তন কাপোৰ-কানি ধুব লাগিব, তাইৰ ভৰি পিটিকি দিব লাগিব—। কেনেকৈনো আমাৰ ল'ৰাই বিয়া কৰাব তাইহেন ডাইনীক?”

দৰাৰ মাকে কৈ উঠিল, “কিন্তু—এটা কথা মই একদম বুজি পোৱা নাই। মই ইয়ালৈ অহাৰ পাছত কইনাৰ কোঠালৈ কিন্তু যোৱানাছিলোঁ। আমি আমাৰ খোৰাবস্তু পোন্ধৰদিনীয়া কৰি খাওঁ বুলি ক'লে কোনে—?”

ভূতুনী দুজনীয়ে আঁৰত থাকি মজা চাই আছিল। এনেতে বাবলু টোপনিৰপৰা উঠি আহিল, আৰু এইবাৰ সকলো কথা প্ৰকাশ হৈ পৰিব বুলি ভাবি ভূতুনী দুজনীয়ে ক'লা মেকুৰীৰ ৰূপ ধৰি তাৰপৰা একেচোঁচাই পলাই গ'ল।

তাৰ পাছত, বাবলুৱে সকলো কথা বিবৰি ক'লে। তেতিয়াহে সকলোটিয়ে বুজি পালে যে এইবোৰ অঘটনৰ গুৰিত আছিল দুজনী ভূতুনীৰ কাণ্ড। সকলো কথা, সকলোটিৰ মন ফৰকাল হ'ল। তাৰ পাছত, নিৰ্দিষ্ট লগনত, বোৱাৰী পুৱাতে অনিতাৰ বিয়াখনো হৈ গ'ল।

আফ্ৰিকীয় পহু

সমগ্ৰ পৃথিৱীত আটাইতকৈ ডাঙৰ আকাৰৰ পহু আফ্ৰিকাত দেখা যায়। এই পহুবিলাকে বেগৱান ঘোঁৰাৰ দৰে দৌৰিব পাৰে। আফ্ৰিকীয় মানুহে এই পহুবোৰক ধৰি ঘৰচীয়া জন্তুৰ দৰে পোহ-পালো কৰে।

এই পহুবিলাকৰ শিঙো বিৰাট আকৃতিৰ। আফ্ৰিকীয় পহুবিলাকৰ ডিঙিত, মুখত, আৰু কান্ধতো দীঘল দীঘল চুলি ওলমি থকা দেখা যায়। সিহঁতৰ নেজডালো দীঘল। ইহঁতে লতা-পাত ফল-মূল খাই জীৱনধাৰণ কৰে। ইহঁতৰ বয়স বঢ়াৰ লগে লগে দেহৰ বৰণৰো সলনি হয়।

আফ্ৰিকাৰ মৰুভূমি আৰু পাহাৰৰ নামনিত এই পহুবিলাকক দৃষ্ট হয়। পিছে—আফ্ৰিকাৰ সুগভীৰ অৰণ্যৰ মাজত থকা সমতলভূমিতো ইহঁত জাক বান্ধি থকা পৰিলক্ষিত হয়।

দিনৰ ভাগত ইহঁতে গভীৰ অৰণ্যত লুকাই থাকে, যদিও চলপুৱা সমতলত থকা হ্ৰদ, বিল বা সৰোবৰত পানী পি-খাবলৈ আহে। ইহঁতে জাক বান্ধি ঘূৰি ফুৰে। একেলগে পঞ্চাছৰপৰা এশলৈকে দেখা যায়। মতা পহুবিলাকে মাজে-সময়ে জাকএৰা হৈ ঘূৰি ফুৰা দেখা যায়।

ইহঁত আকাৰত অতি ডাঙৰ হোৱাত দ্ৰুতগামী জন্তুৰ তুলনাত লেহেম বুলি বোধ হয়। কিন্তু আচলতে ইহঁত অতিপাত দ্ৰুতগামী।

ইহঁতে নিজ-সন্তানক বিপদৰপৰা ৰক্ষা কৰাৰ বাবে সদায় সতৰ্ক থাকে। ইহঁতে শত্ৰুক শিঙেৰে খুন্দিয়াই মাৰি পেলাব পাৰে। পহুবিলাকে দুবছৰৰ বাদে বাদে এবাৰকৈ পোৱালিদিয়ে। তাৰ ফলত ইহঁতৰ সংখ্যা দ্ৰুতভাৱে বৃদ্ধিপ্ৰাপ্ত নহয়।

অতীতত আফ্ৰিকাৰ দক্ষিণ-পূৰ্ব অঞ্চলত জাক জাক পহু চৰি ফুৰা দেখা গৈছিল। সম্প্ৰতি, ইহঁতৰ সংখ্যা দিনক দিনে হ্ৰাস পাই আহিছে।

ৰং-ৰহইচৰ ৰজা...গোল্ড স্পটৰ মজা!
GOLD SPOT
Artificially flavoured. Contains no fruit juice or fruit pulp.
serve chilled
GOLD SPOT

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ ডিচেম্বাৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ অক্‌ট'বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আগতে হৰিকথা

দ্বিতীয় ফটো : পাছত চাউলকঠা

পুৰস্কাৰ পাওঁতা : মামণি চেতিয়া, শংকৰদেৱ ৰেলৱে-কলোনি. ডিব্ৰুগড়।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। কৃষ্ণা নৈ ২। যমুনা নৈ ৩। তাপ্তী নৈ • ৪। কোশী নৈ • ৫। • চম্বল নৈ।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

ঘূৰি ঘূৰি চায় জগতে...
চুপাৰ ৰিন চমকে !
সুপাৰ
রিন
সফ়েদী কী চমকার
RIN
চুপাৰ ৰিনৰ শুভ্ৰতাৰ চমক – আৰু বেছি
আন যিকো ডিটাৰজেণ্ট টেবলেট বা বাৰৰ তুলনাত অধিকতৰ বগা !
হিন্দুস্তান লিভাৰৰ উৎকৃষ্ট উৎপাদন
LINTAS RIN 93 2016 AS

দিনা মই মোৰ প্ৰথম শালমন আবিষ্কাৰ কৰিলো···
সেইদিনাই মই আবিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে।
মনত কিমান যে উৎকণ্ঠা···মোৰ বাইদেউৰ
বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই
নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত
থিয় দিলো। কিন্তু ই কি···মোৰ গালত এয়া কিহৰ দাগ···ইয়ে শালমন।
আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত···নাই নাই,
তিয়াতো ওলাব নালাগিছিল।
সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। ‘তও কলে
হেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো
লাইছিল, সেয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।”
মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো।
এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই
উপভোগ কৰিলো।

ক্লিয়াৰেচিলে
শালমন পৰিষ্কাৰ
কৰাত সহায়
কৰে আৰু
ই বিয়পি
পৰাটোও
ৰোধ কৰে।

OBM/5687/AS

ক্লিয়াৰেচিল
শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

নটৰাজ পেন্সিলৰ লিখনি
সুনিপুণ নিখুঁত বাচনি
নটৰাজ পেন্সিল
বেচিকৈ লিখে, বেচিকৈ চলে
everest/85/HP/190-as